www.newsnextone.com
e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

WEDNESDAY, OCTOBER 16, 2024 ■ বুধবাৰ।। ২৯ আহিন, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ প্ৰথম বছৰ, সংখ্যা ২৮২ Guwahati, Assam ।। মূল্যঃ এটকা

**আজি মেঘালয়লৈ আহিব উপ-ৰাষ্ট্ৰপতি**

**ই-সংবাদ, শ্বিলং, ১৫ অক্টোবৰঃ** দুদিনীয়া কাৰ্যসূচীৰে কাইলৈৰ পৰা মেঘালয় ভ্ৰমণ কৰিব ৬ পৃষ্ঠাত চাওক

## মহাৰাষ্ট্ৰ-ঝাৰখণ্ডৰ বিধানসভা নিৰ্বাচনৰ দিন ঘোষণা ■ ২৩ নৱেম্বৰত ফলাফল

# ভোটযুদ্ধ! ১৩ নৱেম্বৰত অসমৰ ৫ সমষ্টিত উপ-নিৰ্বাচন

**মহাৰাষ্ট্ৰঃ**
২০ নৱেম্বৰ, ২০২৪

**ঝাৰখণ্ডঃ**
১৩, ২০ নৱেম্বৰ

**ই-সংবাদ, ১৫ অক্টোবৰঃ** অসমত উপ-নিৰ্বাচন অনুষ্ঠিত হ'বলগীয়া ৫ বিধানসভা সমষ্টিৰ ভোটগ্ৰহণৰ দিন আজি ঘোষণা কৰা হৈছে। ৫টা সমষ্টিক লৈ অসমৰ ৰাজনৈতিক পৰিৱেশ গৰম হৈ থকাৰ সময়তে মঙলবাৰে নতুন দিল্লীত অসমৰ ৫ সমষ্টিৰ ভোটগ্ৰহণৰ দিন ঘোষণা কৰা হয়। আজিৰ বিশেষ শেষাংশ ২ পৃষ্ঠাত


এছচিঅ' পৰিষদৰ বৈঠকত ভাগ ল'বলৈ ইছলামাবাদত উপস্থিত এছ জয়শংকৰ

## কংগ্ৰেছত সংঘাত নাই! ভূপেন বৰা

**গুৱাহাটী, ১৫ অক্টোবৰঃ** উপ-নিৰ্বাচনৰ দিন ঘোষণা কৰা দিনটোতেই বিজেপিৰ নেতা-কৰ্মীয়ে ভয়াৰ্ত হৈ নগাঁৱৰ চামগুৰিত শেষাংশ ২ পৃষ্ঠাত

## প্ৰত্যক্ষ ৰাজনীতিলৈ প্ৰিয়ংকা গান্ধী, ৱায়নাডৰ পৰা খেলিব উপ-নিৰ্বাচন



**নতুন দিল্লী, ১৫ অক্টোবৰঃ** দলীয় সমৰ্থকসকলক অৱশেষত আকাংক্ষিত খবৰটো দিলে কংগ্ৰেছৰ শীৰ্ষ নেতৃত্বই। আজি দেশৰ নিৰ্বাচন আয়োগে ঘোষণা কৰিছে মহাৰাষ্ট্ৰ আৰু ঝাৰখণ্ড বিধানসভা নিৰ্বাচনৰ লগতে ১৫খন শেষাংশ ৫ পৃষ্ঠাত

## বীফৰ সপক্ষে কনৰাড চাংমা খাদ্যাভ্যাসত হস্তক্ষেপ নচলিব

**ই-সংবাদ, ১৫ অক্টোবৰঃ** গৰুক 'গো-মাতা' হিচাপে পূজা কৰা ভাৰতীয় জনতা পাৰ্টিৰ সমস্যাৰ কাৰণ হৈ পৰিছে মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড চাংমাক লৈ। গো-মাংস শেষাংশ ৩ পৃষ্ঠাত



## ৰশ্মিকা হ'ব চাইবাৰ সুৰক্ষাৰ এম্বেছেডৰ



**নতুন দিল্লী, ১৫ অক্টোবৰঃ** ভাৰতত ভয়ংকৰভাৱে বৃদ্ধি পোৱা চাইবাৰ অপৰাধৰ ঘটনা প্ৰতিৰোধৰ শেষাংশ ৫ পৃষ্ঠাত

## নগাঁৱৰ আৰক্ষী অধীক্ষকৰ বদলি দাবী এপিচিচিৰ

## চামগুৰিত কংগ্ৰেছৰ ৰেলীত বিজেপিৰ আক্ৰমণ

**ই-সংবাদ, পুৰণিগুদাম, ১৫ অক্টোবৰঃ** অসমত ভোটৰ নামত হিংসাত্মক ঘটনা সংঘটিত নহয় বুলিয়েই ক'ব পাৰি যদিও অসমৰ সমাজ ব্যৱস্থাক কলুষিত কৰি বিহাৰ-উত্তৰ প্ৰদেশৰ পৰম্পৰাক আমদানি কৰাত অসমতো শেষাংশ ৪ পৃষ্ঠাত



## বিজেপি নেতাৰ বিৰুদ্ধে শিৰামণিৰ এজাহাৰ দাখিল

**ই-সংবাদ, ১৫ অক্টোবৰঃ** বিজেপিৰ গুণ্ডাবাহিনীয়ে কংগ্ৰেছৰ ৰেলীত অংশ লোৱা লোকক আক্ৰমণ কৰাৰ লগতে গাড়ী ভাঙি পেলোৱাৰ অভিযোগে শেষাংশ ৫ পৃষ্ঠাত

## ভাৰতলৈ আহি আছে ঘাতক প্ৰিডেটৰ ড্ৰ'ন

**নিউয়ৰ্ক, ১৫ অক্টোবৰঃ** লাডাখৰ প্ৰকৃত নিয়ন্ত্ৰণ ৰেখাত অব্যাহত থকা ভাৰত-চীন বিবাদৰ মাজতে ভাৰতীয় সেনা বাহিনীৰ সামৰিক শক্তি বৃদ্ধি কৰিবলৈ শীঘ্ৰেই



ভাৰতলৈ আহি আছে আমেৰিকাৰ অন্যতম ঘাতক অস্ত্ৰ 'প্ৰিডেটৰ ড্ৰ'ন'। সূত্ৰ অনুসৰি, আমেৰিকাৰ সৈতে এই ড্ৰ'ন সম্পৰ্কে চলি অহা ভাৰতৰ শেষাংশ ৪ পৃষ্ঠাত

## পুনৰ বিমানত আক্ৰমণৰ ভাবুকি

**মুম্বাই, ১৫ অক্টোবৰঃ** ভাৰতীয় বিমান আৰু ৰে'লত বিস্ফোৰণ সংঘটিত কৰাৰ অজ্ঞাত ভাবুকিয়ে আতংকিত কৰি ৰাখিছে সাধাৰণ জনতাক। বাৰে বাৰে লাভ শেষাংশ ৬ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ভোটযুদ্ধ! ১৩ নৱেম্বৰত অসমৰ

আজিৰ বিশেষ সংবাদমেলত ভাৰতৰ নিৰ্বাচনী আয়োগে দুখন ৰাজ্যৰ বিধানসভা নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ লগতে দেশৰ ৪৭ টা বিধানসভা সমষ্টি আৰু এটা লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ দিন ঘোষণা কৰিছে। ভাৰতৰ নিৰ্বাচনী আয়োগৰ মুখ্য নিৰ্বাচনী আয়ুক্ত ৰাজীৱ কুমাৰে ঘোষণা কৰা অনুসৰি ৪৭টা বিধানসভা সমষ্টিৰ সৈতে অসমৰো ৫টা সমষ্টিত উপ-নিৰ্বাচন অনুষ্ঠিত হ'ব। অসমৰ পাঁচ সমষ্টিত ১৩ নৱেম্বৰত অনুষ্ঠিত হ'ব ভোটগ্ৰহণ। সমষ্টি কেইটা হৈছে নামনিৰ ধলাই, চিদলী, বঙাইগাঁও, উত্তৰ অসমৰ বিহালী, মধ্য অসমৰ ছামগুৰি সমষ্টি। ১৮ অক্টোবৰত আনুষ্ঠানিকভাৱে নিৰ্বাচনী অধিসূচনা জাৰি কৰা হ'ব। মনোনয়নপত্ৰ দাখিলৰ অন্তিম তাৰিখ হৈছে ২৫ অক্টোবৰ। ২৮ অক্টোবৰত মনোনয়ন পৰীক্ষা কৰা হ'ব। মনোনয়ন প্ৰত্যাহাৰৰ শেষ তাৰিখ ৩০ অক্টোবৰ। ২৩ নৱেম্বৰত ভোটগণনা কৰা হ'ব। ধলাই সমষ্টিৰ বিধায়ক পৰিমল শুক্লবৈদ্যই বিজেপিৰ টিকটত শিলচৰ সংসদীয় সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰি লোকসভালৈ নিৰ্বাচিত হোৱাত সমষ্টিত উপ-নিৰ্বাচন অনুষ্ঠিত কৰিবলগীয়া হয়। আনহাতে ছামগুৰি সমষ্টিৰ বিধায়ক ৰকিবুল হুছেইনে ধুবুৰী সমষ্টিৰ পৰা সাংসদ নিৰ্বাচিত হয়, বঙাইগাঁও সমষ্টিৰ বিধায়ক ফণীভূষণ চৌধুৰী বৰপেটা লোকসভা সমষ্টিৰ পৰা বিধায়ক নিৰ্বাচিত হয়, চিদলী সমষ্টিৰ বিধায়ক জয়ন্ত বসুমতাৰী কোকৰাঝাৰ লোকসভা সমষ্টিৰ পৰা সাংসদ নিৰ্বাচিত হয় আৰু বিহালী সমষ্টিৰ বিধায়ক ৰঞ্জিত দত্ত শোণিতপুৰ লোকসভা সমষ্টিৰ পৰা সাংসদ নিৰ্বাচিত হয়। ইতিমধ্যে শাসক বিজেপি আৰু বিৰোধী দলসমূহে সমষ্টি কেইটাত নিৰ্বাচনী প্ৰচাৰ চলাই গৈছে। বিজেপিৰ কেইবাজনো নেতাই সমষ্টি কেইটাত তীব্ৰ প্ৰচাৰ চলাই থকাৰ লগতে কংগ্ৰেছেও কম-বেছি পৰিমাণে প্ৰচাৰ চলাই গৈছে। বিহালী সমষ্টিত কংগ্ৰেছৰ হৈ প্ৰচাৰ চলাই গৈছে যোৰহাটৰ সাংসদ গৌৰৱ গগৈয়ে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ ঘনিষ্ঠ নেতাই ভাগে ভাগে সমষ্টি কেইটাত প্ৰচাৰ চলাই গৈছে। বিহালীত পীযুষ হাজৰিকা, ছামগুৰিত জিতু গোস্বামীৰ দৰে নেতাই প্ৰচাৰ চলাই গৈছে। আনহাতে বিজেপিয়ে চিদলী আৰু বঙাইগাঁও সমষ্টি সহযোগী অগপ আৰু ইউপিপিএল দলক এৰি দিছে। কিন্তু কংগ্ৰেছ নেতৃত্বধীন মিত্ৰজোঁট অসম সন্মিলিত মৰ্চা চমুকৈ অসমে এই পৰ্যন্ত মিত্ৰতাৰে নিৰ্বাচন খেলিব নে নাই তাকে লৈ সিদ্ধান্ত ল'ব পৰা নাই। ভূপেন বৰাই আজি এই বিষয়ত আলোচনা কৰি থকা বুলিহে মন্তব্য প্ৰদান কৰিছে। দেশৰ মুখ্য নিৰ্বাচনী আয়ুক্ত ৰাজীৱ কুমাৰে উল্লেখ কৰা মতে, ঝাৰখণ্ডত দুটা পৰ্যায়ত ১৩ আৰু ২০ নৱেম্বৰত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। মহাৰাষ্ট্ৰত ২০ নৱেম্বৰত ভোটগ্ৰহণ অনুষ্ঠিত কৰাৰ কথা ঘোষণা কৰে আয়োগে। ইফালে ১৩ নৱেম্বৰতে অনুষ্ঠিত হ'ব কেৰালাৰ দুটা বিধানসভা আৰু এটা লোকসভা সমষ্টিৰো উপ-নিৰ্বাচন। ২০ নৱেম্বৰত উত্তৰাখণ্ডৰ এটা বিধানসভা সমষ্টি আৰু মহাৰাষ্ট্ৰৰ এটা লোকসভা সমষ্টিত উপ-নিৰ্বাচন অনুষ্ঠিত হ'ব। মন কৰিবলগীয়া যে, শেহতীয়া লোকসভা নিৰ্বাচনত ৰায়বৰেলীৰ সমান্তৰালভাৱে কেৰালাৰ ৱায়ানাড লোকসভা সমষ্টিৰ পৰাও প্ৰতিদ্বন্দ্বিতা কৰি জয়লাভ কৰিছিল কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে। পৰৱৰ্তী সময়ত তেওঁ ৱায়ানাড আসনখন এৰি দিয়াত ১৩ নৱেম্বৰত এই লোকসভা আসনখনৰ বাবেও উপ-নিৰ্বাচন অনুষ্ঠিত হ'ব। এই আসনখনৰ বাবে ইতিমধ্যে কংগ্ৰেছ নেত্ৰী তথা গান্ধী পৰিয়ালৰ আন এগৰাকী সদস্য প্ৰিয়ংকা গান্ধীৰ নাম ঘোষণা কৰিছে কংগ্ৰেছে। ইয়াৰ উপৰিও মহাৰাষ্ট্ৰৰ নন্দেদ লোকসভা সমষ্টিতো উপ-নিৰ্বাচন অনুষ্ঠিত হ'ব। একেটা দিনতে পশ্চিমবংগৰ ৬টা বিধানসভা সমষ্টিৰ বাবেও অনুষ্ঠিত হ'ব উপ-নিৰ্বাচন। মধ্যপ্ৰদেশৰ দুটা, ৰাজস্থানৰ সাতটা, মেঘালয়ৰ এটা, পঞ্জাৱৰ চাৰিটা, ছিকিমৰ দুটা, উত্তৰ প্ৰদেশৰ ৯টা উত্তৰাখণ্ডৰ এটা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবেও আজি সময়সূচী ঘোষণা কৰে নিৰ্বাচন আয়োগে। দুই ৰাজ্যৰ সৈতে উপ-নিৰ্বাচন অনুষ্ঠিত হ'বলগীয়া ৪৭টা বিধানসভা সমষ্টি আৰু লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ ফলাফল ২৩ নৱেম্বৰত ঘোষণা কৰা হ'ব। আজিৰে পৰা দুই ৰাজ্যৰ লগতে উপ-নিৰ্বাচন অনুষ্ঠিত হ'বলগীয়া সমষ্টিসমূহত নিৰ্বাচনী আচৰণ বিধি কাৰ্যকৰী হ'ব। ইফালে আজিৰ সংবাদমেলত মুখ্য নিৰ্বাচনী আয়ুক্তই ইভিএম সন্দৰ্ভতো মতামত দাঙি ধৰে। তেওঁ কয় যে ইভিএমত কেবাখলপীয়া সুৰক্ষা ব্যৱস্থা থাকে। সেয়ে ইয়াক লৈ প্ৰশ্ন উত্থাপন কৰা উচিত নহয়। নিৰ্বাচনী আয়ুক্তগৰাকীয়ে এগজিট প'ল আৰু একাংশ সংবাদ মাধ্যমৰ কাম-কাজ সম্পৰ্কেও মত আগবঢ়ায়। তেওঁ কয় যে ফলাফল ঘোষণাৰ দিনটোত বহু নিউজ চেনেলে ভোট গণনা আৰম্ভ হোৱাৰ পূৰ্বেই অগ্ৰগতি সম্পৰ্কে প্ৰচাৰ চলোৱাৰ ফলত সাধাৰণ মানুহৰ মাজত ভুল ধাৰণা জন্ম হয় আৰু ইয়াৰ বিৰূপ প্ৰভাৱ নিৰ্বাচনী ব্যৱস্থাত পৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# কংগ্ৰেছত সংঘাত নাই! ভূপেন বৰা

যি গণতন্ত্ৰক হত্যা কৰাৰ অপচেষ্টা চলালে তাৰ বিৰুদ্ধে অসম প্ৰদেশ কংগ্ৰেছে গণতান্ত্ৰিক প্ৰতিবাদ অব্যাহত ৰাখিব। চামগুৰিত কংগ্ৰেছৰ শান্তিপূৰ্ণ সমদলৰ ওপৰত লাঠি-জোং আৰু মাৰণাস্ত্ৰ লৈ আক্ৰমণ চলোৱা বিজেপিৰ দুষ্কৃতিকাৰী নেতা-কৰ্মীক প্ৰশ্ৰয় দিয়া অসম আৰক্ষীক ধিক্কাৰ দি নগাঁও জিলাৰ আৰক্ষী অধীক্ষকক শাস্তিমূলক বদলি দিয়াৰ দাবী উত্থাপন কৰিছে অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি ভূপেন কুমাৰ বৰাই। নতুন দিল্লীত আজি সাংবাদিকক সম্বোধন কৰি বৰাই কয় যে বিজেপিয়ে ভোটযুদ্ধৰ নামত কংগ্ৰেছ কৰ্মীৰ ওপৰত যি আক্ৰমণ চলালে তাত আমাৰ মহিলা বিধায়ক শিৰামণি বৰাইয়ো ৰেহাই নাপালে। কেবাজনো কংগ্ৰেছ নেতা-কৰ্মীৰ ওপৰত আক্ৰমণ চলাই বিজেপিৰ কৰ্মীয়ে যি কাপুৰুষালি দেখুৱালে তাৰ বিৰুদ্ধে ১৩ নৱেম্বৰত গণতন্ত্ৰপ্ৰেমী ৰাইজে ৫টা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনত হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বৰ চৰকাৰৰ দুৰ্নীতি-ভ্ৰষ্টাচাৰ আৰু আগণতান্ত্ৰিক কাৰ্যৰ প্ৰত্যুত্তৰ দিব। সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত বৰাই কয়, অসমৰ মুখ্য সচিবক কাইলৈ প্ৰদেশ কংগ্ৰেছৰ এটা প্ৰতিনিধি দলে সাক্ষাৎ কৰি বিজেপিৰ গুণ্ডাবাহিনীৰ নেতৃত্ব বহন কৰা নেতা-কৰ্মীক গ্ৰেপ্তাৰৰ দাবী জনোৱাৰ লগতে জিলা আৰক্ষী অধীক্ষকক শাস্তিমূলক বদলিৰ দাবী জনাব। প্ৰদেশ কংগ্ৰেছৰ প্ৰতিনিধি দলটোৱে মুখ্য সচিবক সাক্ষাৎ কৰি ৰাজ্যখনৰ আইন-শৃংখলা পৰিস্থিতিৰ ওপৰত নজৰ দিবলৈ দাবী জনাব আৰু এনে এক বিশৃংখল জংঘলৰাজৰ মাজত কেনেধৰণে গণতান্ত্ৰিক নিৰ্বাচন অনুষ্ঠিত কৰিব সেই বিষয়ে প্ৰশ্ন উত্থাপন কৰিব। বৰাই সাংবাদিকক জানিবলৈ দিয়ামতে, বৰ্তমানৰ অসম সন্মিলিত মঞ্চ (বিৰোধী ঐক্য মঞ্চ) চমুকৈ 'অসম'-এ ৫টা বিধানসভা সমষ্টিত একত্ৰিতভাৱে নিৰ্বাচনত অংশগ্ৰহণ কৰিব। বিহালী বিধানসভা সমষ্টিটোত চিপিআইএমএলৰ প্ৰাৰ্থীয়ে নিৰ্বাচন খেলাৰ বিষয়টো অহা ১৭ অক্টোবৰৰ আগে-পিছে চূড়ান্ত হ'ব বুলি জানিবলৈ দি বৰাই কয় যে ৫টা বিধানসভা সমষ্টিৰ বাবে কংগ্ৰেছে ৫জন অধ্যক্ষক লৈ উপ-সমিতি গঠন কৰি দিছিল আৰু সেই উপ-সমিতিসমূহৰ তখনে প্ৰতিবেদন দাখিল কৰিছে। প্ৰদ্যুৎ বৰদলৈ আৰু জাকিৰ হুছেইন শিকদাৰৰ অধ্যক্ষতাত থকা উপ-সমিতিকেইখনেও আজিৰ ভিতৰতে প্ৰতিবেদন দাখিল কৰিব আৰু দুই-এদিনতে অসমৰ দায়িত্বত থকা নিখিল ভাৰত কংগ্ৰেছৰ সাধাৰণ সম্পাদক আৰু সম্পাদকসকলৰ সৈতে বিষয়টো আলোচনা কৰি চূড়ান্ত কৰা হ'ব। এইক্ষেত্ৰত লোকসভাৰ বিৰোধী দলৰ উপ-দলপতি গৌৰৱ গগৈৰ লগতো বিস্তৃতভাৱে আলোচনা কৰা হ'ব। বৰাই লগতে কয় যে কংগ্ৰেছত কোনো নেতৃত্বকেন্দ্ৰিক সংঘাত নাই। কংগ্ৰেছৰ ইতিহাসত এই কথা স্পষ্ট হৈ আছে যে নিৰ্বাচনত সংখ্যাগৰিষ্ঠতা লাভ কৰাৰ পিছতহে কোনো মুখ্যমন্ত্ৰী হ'ব সেয়া গণতান্ত্ৰিকভাৱে সিদ্ধান্ত লোৱা হয়। কাৰোবাক ভালপোৱা কোনোবা অত্যুৎসাহী কংগ্ৰেছীয়ে কাৰোবাৰ নাম কোৱাতো কংগ্ৰেছৰ জনপ্ৰিয়তাৰেই এক অংশ। সংবাদমাধ্যমে আৰু একাংশ ৰাজনৈতিক নেতাই কংগ্ৰেছৰ জনপ্ৰিয়তাত আতংকিত হৈ দলৰ ভিতৰত নেতৃত্বকেন্দ্ৰিক সংঘাত আছে বুলি প্ৰচাৰ চলাবলৈ চেষ্টা কৰিছে বুলিও বৰাই কয়। তেওঁ লগতে কয়, এই উপ-নিৰ্বাচনত অসমৰ ৫টা সমষ্টিৰ ৰাইজে সিদ্ধান্ত ল'ব যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত চলি থকা ছিণ্ডিকেটৰাজ, গুণ্ডাৰাজ, স্মাৰ্ট মিটাৰ আৰু আন আন মাচুল বৃদ্ধিৰ দ্বাৰা লুণ্ঠন তথআ এটা পৰিয়ালৰ অসমৰ ইমুৰৰ পৰা সিমূৰলৈ সম্পত্তি আহৰণৰ কথাটো মানি ল'ব নে নলয়। এই উপ-নিৰ্বাচন হ'ব গণতান্ত্ৰিক প্ৰমূল্যবোধ আৰু ভাতৃত্ববোধক জীয়াই ৰখাৰ এক নিৰ্বাচন।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# খাদ্যাভ্যাসত হস্তক্ষেপ নচলিব

বিক্ৰী আৰু ভক্ষণক লৈ ৰাজনীতিৰ ডংকা বজাই অহা বিজেপিক মেঘালয়ত গো-মাংস ভক্ষণত হস্তক্ষেপ নকৰিবলৈ স্পষ্ট কৰি দিছে মেঘালয়ৰ বিজেপি মিত্ৰজোঁটৰ চৰকাৰৰ মুখ্যমন্ত্ৰী কনৰাড চাংমাই। শেহতীয়াকৈ গো-মাংস ভক্ষণক লৈ উত্তৰ-পূবৰ ৰাজ্যখনত চলি থকা বিতৰ্কৰ মাজতে আজি নতুন দিল্লীৰ এটা সংবাদ প্ৰতিষ্ঠানক দিয়া সাক্ষাৎকাৰত এই বিতৰ্ক সন্দৰ্ভত মুকলিমুৰীয়াকৈ নিজৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰে মুখ্যমন্ত্ৰীগৰাকীয়ে। চাংমাই সাক্ষাৎকাৰত বিজেপিক একপ্ৰকাৰ সকিয়নী প্ৰদান কৰি কয় যে ভাৰতীয় জনতা পাৰ্টীয়ে ৰাজ্যখনৰ জনগণ আৰু বিভিন্ন সম্প্ৰদায়ৰ খাদ্যৰ প্ৰণালীত হস্তক্ষেপ কৰা উচিত নহয় আৰু কৰিব নালাগে। বিশেষকৈ গো-মাংস সেৱনৰ ক্ষেত্ৰত হস্তক্ষেপ কৰা উচিত নহয় আৰু কৰিব নালাগে বুলি মন্তব্য কৰে মেঘালয়ৰ মুখ্যমন্ত্ৰী তথা এনডিএ মিত্ৰজোঁটৰ এনপিপিৰ নেতাগৰাকীয়ে। গো-মাংস নিষিদ্ধকৰণৰ বিতৰ্কক লৈ মুকলিকৈ নিজৰ মন্তব্য প্ৰকাশ কৰি কনৰাড চাংমাই কয় যে স্থানীয় খাদ্যাভ্যাসক সন্মান কৰাৰ নীতিয়ে প্ৰাধান্য পাব লাগে। তেওঁ কয়, "আমি সেই নিৰ্দিষ্ট নীতিৰ সৈতে আছো। আপুনি কোনো ব্যক্তিবিশেষ বা সম্প্ৰদায়ৰ খাদ্যাভ্যাসত হস্তক্ষেপ কৰা উচিত নহয়। আমি সেই বিষয়ে অতি স্পষ্ট।" কনৰাড চাংমাই আৰু কয় যে উত্তৰ-পূবৰ বেছিভাগ বিজেপি নেতাই গো-মাংস ভক্ষণৰ এক সমৃদ্ধ সাংস্কৃতিক পৰম্পৰা থকা অঞ্চলৰ পৰা অহা। কিন্তু গো-মাংস নিষেধাজ্ঞা বলবৎ কৰাৰ অসম্ভৱতাক স্বীকৃতি দিব খোজে। কিন্তু উত্তৰ-পূবৰ অধিক সংখ্যক বিজেপি নেতাৰ সৈতে সময় কটাব তেতিয়াই তেওঁলোকে ক'ব যে গোমাংসত নিষেধাজ্ঞা বলবৎ কৰাটো সম্ভৱ নহয়। এইটো আমাৰ সংস্কৃতি। এয়া আমাৰ খাদ্যাভ্যাস। আমি সকলোকে সন্মান কৰো, কিন্তু আমি লগতে আশা কৰো যে আপুনি আমাৰ খাদ্যাভ্যাসত হস্তক্ষেপ নকৰে যেন। মুখ্যমন্ত্ৰী চাংমাই স্বীকাৰ কৰে যে বিজেপিৰ সৈতে সম্পৰ্কিত কিছুমান গোড়া হিন্দুত্ববাদী গোটে উত্তৰ-পূৰ্বাঞ্চলত গো-মাংস ভক্ষণৰ বিষয়ত উদ্বেগ প্ৰকাশ কৰে। কিছুমানে কিবা ক'ব পাৰে, কিন্তু শেষত আইন-শৃংখলা চৰকাৰে বজাই ৰাখিব লাগিব, যিটো আমি কৰিম। চাংমাৰ মতে, কোনোবাই মতামত প্ৰকাশ কৰিব পাৰে। ব্যক্তি বা সম্প্ৰদায়ৰ আহাৰৰ পছন্দত নিৰ্দেশ বা হস্তক্ষেপ কৰিব নোৱাৰে। পৰিস্থিতি প্ৰত্যক্ষ কৰি আমি অতি স্পষ্ট যে চৰকাৰে বৃহত্তৰ দৃষ্টিকোণৰ পৰা চাব লাগিব আৰু সিদ্ধান্ত লব লাগিব। ভাৰতৰ দৰে গণতান্ত্ৰিক আৰু ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰত যিকোনো ব্যক্তি বা সম্প্ৰদায়ৰ অভ্যাস বা খাদ্যাভ্যাসত হস্তক্ষেপ কৰাটো সঠিক কথা নহয়। উল্লেখ্য যে, জগতগুৰু শংকৰাচাৰ্য স্বামী অবিমুক্তেশ্বৰানন্দ সৰস্বতীৰ নেতৃত্বত শেহতীয়াকৈ গো সুৰক্ষা ৰেলী বাতিল কৰা হৈছিল। মেঘালয়তো এই ৰেলী কৰাৰ কথা আছিল। মেঘালয়ৰ বিভিন্ন জাতীয় সংগঠনে এই ৰেলীৰ বিৰুদ্ধে প্ৰতিবাদ কৰিবলৈ ওলাই অহাত অবিমুক্তেশ্বৰানন্দ সৰস্বতীৰ যাত্ৰা বাতিল কৰিবলগীয়া হয়। এই সম্পৰ্কত চাংমাই কয় যে ৰাজ্যখনত আইন-শৃংখলাৰ সম্ভাব্য ব্যাঘাত প্ৰতিহত কৰিবলৈ এই সিদ্ধান্ত লোৱা হৈছে। সমদলৰ বাবে আইন-শৃংখলা প্ৰভাৱিত হোৱাৰ আশংকা আছিল। আমি অতি সৰল সিদ্ধান্ত লৈছিলো। উল্লেখ্য যে, বিজেপিৰ সমগ্ৰ দেশত বিজেপিৰ ধৰ্মীয় ৰাজনীতিৰ মূল কেন্দ্ৰবিন্দু হৈছে গৰু বা গো-মাতা। দেশৰ অন্য প্ৰান্তত গো-মাংসৰ বিৰুদ্ধে কঠোৰ হৈ অহা বিজেপিয়ে অৱশ্যে উত্তৰ-পূৰ্বাঞ্চলৰ খ্ৰীষ্টান ধৰ্মাৱলম্বী লোকৰ বসতি প্ৰধান মেঘালয়ত গো-মাংস ভক্ষণৰ পক্ষ লোৱা এনপিপি তথা কনৰাড চাংমাৰ দলৰ সৈতে চৰকাৰ চলাই আছে। বিজেপিৰ এনে দুমুখীয়া নীতিৰ মাজতে কনৰাড চাংমাই গো-মাংস ভক্ষণত হস্তক্ষেপ নকৰিব বুলি বিজেপিক সকিয়নী প্ৰদান কৰা কাৰ্যৰ প্ৰত্যুত্তৰ হিচাপে বিজেপিয়ে কেনে স্থিতি গ্ৰহণ কৰে সেয়া লক্ষণীয় হ'ব। উল্লেখ্য যে ইয়াৰ পূৰ্বেও একাধিক বিষয়ক লৈ মেঘালয়ৰ মুখ্যমন্ত্ৰীগৰাকীয়ে বিজেপিৰ নীতি-আদৰ্শৰ বিৰুদ্ধে মন্তব্য কৰিছিল। লগতে কা আইন সন্দৰ্ভতো নিজৰ কঠোৰ স্থিতি স্পষ্ট কৰি আহিছিল মুখ্যমন্ত্ৰীগৰাকীয়ে।

# অংকুৰণ দত্তৰ প্ৰশংসনীয় পদক্ষেপ, শংকৰদেৱৰ বৰগীত সিংহলী ভাষালৈ অনুবাদ

**ই-সংবাদ, ১৫ অক্টোবৰঃ** অসমৰ বাবে সুখবৰ। প্ৰথমবাৰৰ বাবে জগতগুৰু শ্ৰীমন্ত শংকৰদেৱৰ এটি বৰগীত আন্তঃৰাষ্ট্ৰীয় ভাষাত অনুবাদ কৰাৰ লগতে পৰিৱেশনৰ ব্যৱস্থা কৰা হয়। কলোম্বস্থিত ভাৰতীয় উচ্চ আয়োগৰ স্বামী বিবেকানন্দ সাংস্কৃতিক কেন্দ্ৰৰ সঞ্চালক অংকুৰণ দত্তৰ সম্পূৰ্ণ নিজাববীয়া প্ৰচেষ্টাত শংকৰদেৱৰ 'নাৰায়ণ কাহে ভকতি কৰো তেৰা' বৰগীতটি সিংহলী ভাষালৈ অনুবাদ কৰি তাক পৰিৱেশনৰ ব্যৱস্থা কৰা হয়। কলোম্বস্থিত ভাৰতীয় উচ্চ আয়োগৰ স্বামী বিবেকানন্দ সাংস্কৃতিক কেন্দ্ৰৰ সঞ্চালক অংকুৰণ দত্তই এই বিষয়টো জনাবলৈ পাই অত্যন্ত আনন্দিত হোৱা বুলি উল্লেখ কৰে। উল্লেখ্য যে কলোম্বস্থিত ভাৰতীয় উচ্চ আয়োগৰ স্বামী বিবেকানন্দ সাংস্কৃতিক কেন্দ্ৰৰ তৰফৰ পৰা পোনপ্ৰথমবাৰৰ বাবে শ্ৰীলংকাত শ্ৰীমন্ত শংকৰদেৱৰ জন্মোৎসৱৰ আয়োজন কৰা হয়। শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৬ সংখ্যক জয়ন্তীৰ লগত সংগতি ৰাখি গুৰুজনাৰ বৰগীতটি পোন প্ৰথমবাৰৰ বাবে সিংহলী ভাষালৈ অনুবাদ কৰি তাক পৰিৱেশনৰ ব্যৱস্থা কৰা হয়। মই যিমানদূৰ জানো ইংৰাজী আৰু হিন্দীৰ বাহিৰে আন বহু ভাষালৈ বৰগীত অনুবাদ হোৱা নাই বা আন বিদেশী ভাষালৈও বৰগীত এতিয়ালৈকে অনুবাদ কৰা হোৱা নাই বা তাক পৰিৱেশন কৰা হোৱা নাই বুলি মন্তব্য কৰে অংকুৰণ দত্তই। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অংকুৰণ দত্তৰ এই পদক্ষেপৰ শলাগ লোৱাৰ লগতে শ্ৰীমন্ত শংকৰদেৱক আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত উপস্থাপন কৰিবলৈ অংকুৰণ দত্তই যি প্ৰয়াস চলাইছে, দত্তৰ সেই প্ৰয়াস অব্যাহত থাকিব বুলি আশা প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে গুৰুজনাৰ সৃষ্টিৰাজিক এনেদৰে বিশ্বদৰবাৰলৈ লৈ যোৱাৰ প্ৰয়াস চলোৱাৰ বাবে কলোম্বস্থিত ভাৰতীয় উচ্চ আয়োগৰ স্বামী বিবেকানন্দ সাংস্কৃতিক কেন্দ্ৰৰ সঞ্চালক অংকুৰণ দত্তক শুভেচ্ছা জনাইছে। নিজৰ এক্স হেণ্ডেলযোগে এই সন্দৰ্ভত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আনন্দ প্ৰকাশ কৰি কয় যে গুৰুজনাৰ সৃষ্টিক আন দেশলৈ লৈ যোৱাৰ প্ৰচেষ্টা দেখি মই বহুত সুখী। ন্যায় বিচাৰ আৰু ন্যায়সংগত সমাজ প্ৰতিষ্ঠাৰ বাবে গুৰুজনাৰ দৰ্শনৰ বিশ্বব্যাপী অপৰিসীম প্ৰাসংগিকতা আছে। ইপিনে, কলম্বোস্থিত ভাৰতীয় উচ্চায়োগৰ সাংস্কৃতিক শাখা স্বামী বিবেকানন্দ সাংস্কৃতিক কেন্দ্ৰই যোৱা সোমবাৰে প্ৰথমবাৰৰ বাবে শ্ৰীলংকাত শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৬ সংখ্যক জন্মোৎসৱ পালন কৰে। এই উপলক্ষে শ্ৰীমন্ত শংকৰদেৱৰ 'নাৰায়ণ কাহে ভকতি কৰোঁ তেৰা' বৰগীতটি সিংহলী ভাষাত অনুবাদ কৰাৰ লগতে সিংহলী ভাষাত পৰিৱেশন কৰা হয়। এয়া হয়তো প্ৰথমবাৰৰ বাবে কোনো বিদেশী ভাষাত বৰগীত মূল আৰু অনুবাদিত সংস্কৰণত ৰেকৰ্ডিং কৰা হৈছে। শ্ৰীলংকাত ভাৰতৰ উপ-উচ্চায়ুক্ত ড০ সত্যঞ্জল পাণ্ডেই আনুষ্ঠানিকভাৱে সিংহলী ভাষাত পৰিৱেশিত বৰগীতৰ চিডিখন মুকলি কৰে। কলম্বোৰ স্বামী বিবেকানন্দ সাংস্কৃতিক কেন্দ্ৰৰ সঞ্চালক অধ্যাপক অংকুৰণ দত্তই পৰিচালনা কৰা বৰগীতৰ ৰেকৰ্ডিঙটিত মূলভাষাত পৰিৱেশন কৰিছে আৰু খোল বজাইছে। বৰগীতটি অনুবাদ কৰিছে কেলানিয়া বিশ্ববিদ্যালয়ৰ অধ্যাপক উপুল ৰঞ্জিত হেৱাৱিটানগমগেয়ে। সিংহলী সংস্কৰণটো কলম্বোৰ সৌন্দৰ্য বিশ্ববিদ্যালয়ৰ জ্যেষ্ঠ প্ৰবক্তা অসীথ আটাপাটুৱে গাইছে আৰু এছৰাজ পমলকা মনুজিথ কৰুণানায়কে আৰু বাঁহী দিনাঞ্জনা মাদুছাংকাই পৰিৱেশন কৰিছে। সংগীতৰ ব্যৱস্থাপনা আৰু বাণীবন্ধন মিলিণ্ডা টেনাকুন আৰু ডেভিন ডি আলৱিছৰ। অনুষ্ঠানত শ্ৰীলংকাৰ পুৰাতত্ত্ব বিভাগৰ প্ৰাক্তন সঞ্চালক প্ৰধান অধ্যাপক অনুৰা মানটুংগা, লংকা আই অ' চিৰ পৰিচালন সঞ্চালক দীপক দাস, ছাৰ্ক সাংস্কৃতিক কেন্দ্ৰৰ উপ-সঞ্চালক ড০ বিনা গান্ধী দেউৰীয়ে ভাৰতৰ কলা আৰু নান্দনিক দিশত শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱৰ অৱদানৰ বিষয়ে বক্তব্য আগবঢ়ায়।

প্ৰথম পৃষ্ঠাৰ পৰা...

# চামগুৰিত কংগ্ৰেছৰ ৰেলীত বিজেপিৰ

এতিয়া ৰাজনৈতিক হিংসা সংঘটিত হ'বলৈ আৰম্ভ কৰিছে। উপ-নিৰ্বাচনৰ দিন ঘোষণাৰ দিনটোতে অসমত ৰাজনৈতিক হিংসা সংঘটিত হোৱাত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। কংগ্ৰেছৰ নেতা-কৰ্মীয়ে ৰেলী কৰি গৈ থকাৰ সময়তে বিজেপিৰ নেতা-কৰ্মীয়ে ঘেৰি লৈ বৰ্বৰভাৱে প্ৰহাৰ কৰাৰ লগতে কেইবাখনো বাহন ভাঙি পেলোৱাৰ অভিযোগ উত্থাপন হৈছে। এই ঘটনা সংঘটিত হৈছে মধ্য অসমৰ নগাঁও জিলাৰ চামগুৰি সমষ্টিত। আজি প্ৰাক নিৰ্বাচনী হিংসাত চামগুৰি সমষ্টিত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। উল্লেখ্য যে, চামগুৰিৰ বিধায়ক ৰকিবুল হুছেইন ধুবৰীৰ পৰা সাংসদ নিৰ্বাচিত হোৱাত অহা ১৩ নৱেম্বৰত অনুষ্ঠিত হ'ব উপ-নিৰ্বাচনৰ ভোট। উপ-নিৰ্বাচনক লৈ বিজেপি আৰু কংগ্ৰেছ নেতাৰ মাজত কঠোৰ বাক্যবাণ অব্যাহত আছিল। তাৰ মাজতে আজি চামগুৰি সমষ্টিত কংগ্ৰেছে আয়োজন কৰিছিল এক ৰেলী। কংগ্ৰেছৰ তিনি বিধায়কৰ উপস্থিতিত বহু সংখ্যক নেতা-কৰ্মীয়ে বাইক ৰেলী কৰি গৈ থকাৰ সময়তে ৰূপহীহাটৰ বৰতলত বিজেপিৰ নেতা-কৰ্মীয়ে আগভেটা দিয়ে। ইমানতে ক্ষান্ত নাথাকি বিজেপিৰ নেতা-কৰ্মীসকলে কংগ্ৰেছৰ নেতা-কৰ্মীক আক্ৰমণ কৰে। আক্ৰমণত কংগ্ৰেছৰ ৰেলীৰ কেবাখনো গাড়ী ভাঙি-ছিঙি লণ্ড-ভণ্ড কৰে বিজেপি কৰ্মীয়ে। বিজেপি কৰ্মীৰ আক্ৰমণত কেইবাগৰাকী কংগ্ৰেছ নেতা-কৰ্মী আহত হয়। এই অভিযোগ উত্থাপন কৰিছে কংগ্ৰেছে। চামগুৰি সমষ্টিত উপ-নিৰ্বাচনৰ দিন ঘোষণাৰ দিনটোতে বিজেপিয়ে গুণ্ডাগিৰি কৰাৰ অভিযোগ উঠিছে। কংগ্ৰেছে অভিযোগ কৰা অনুযায়ী ৰাজপথত আগচি কংগ্ৰেছ কৰ্মীক বাধা দিছিল বিজেপিৰ নেতা-পালিনেতাই। ৰেলীযোগে শিঙিমাৰীত অনুষ্ঠিত ৰকিবুল হুছেইনৰ সভালৈ গৈছিল কংগ্ৰেছৰ বাইক ৰেলী। এই ৰেলীত আছিল ৩গৰাকী বিধায়ক শিৰামণি বৰা, নুৰুল হুদা আৰু আছিফ মহম্মদ নজৰ। সেই সময়তে কংগ্ৰেছ কৰ্মীৰ সমদলত লাঠি-জোং, বাঁহেৰে আক্ৰমণ কৰে বিজেপি কৰ্মীয়ে। বাঁহেৰে কোবাই চূৰ্ণ-বিচূৰ্ণ কৰে কংগ্ৰেছৰ ৰেলীত ভাগ লোৱা প্ৰায় ১৫ খন গাড়ী। ইমানে নহয়, মহিলা বিধায়িকৰ গাত হাত দিয়াৰ গুৰুতৰ অভিযোগ আনিছে কংগ্ৰেছে। অসম প্ৰদেশ কংগ্ৰেছৰ মিডিয়া বিভাগৰ অধ্যক্ষ বেদব্ৰত বৰাই কয় "কংগ্ৰেছৰ বটদ্ৰৱা সমষ্টিৰ বিধায়িকা শিৰামণি বৰা বিজেপিৰ গুণ্ডবাহিনীৰ আক্ৰমণত আহত হৈছে। মহিলাৰ সুৰক্ষা আৰু সন্মানৰ কথা কোৱা বিজেপিৰ নীতিনিষ্ঠ সেৱকসকলে এতিয়া কি ক'ব? এওঁলোক সঁচাকৈয়ে সনাতনী সভ্যতাৰ প্ৰতিনিধি নে? বিচাৰৰ ভাৰ ৰাইজলৈ এৰিলো। কিন্তু আইন-শৃংখলা পৰিস্থিতি নিয়ন্ত্ৰণ কৰিব নোৱৰা বাবে অসমৰ গৃহ বিভাগক ধিক্কাৰ দিলো। মুখ্যমন্ত্ৰী ডাঙৰীয়া, আপোনাৰ হাতত দল-মত নিৰ্বিশেষে অসমৰ ৰাইজ যে সুৰক্ষিত নহয় সেই কথা পুনৰ প্ৰমাণিত হ'ল।" প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই চামগুৰিত কাণ্ডৰ পাছতে চামগুৰিত কংগ্ৰেছৰ শান্তিপূৰ্ণ সমদলৰ ওপৰত লাঠি-জোং আৰু মাৰণাস্ত্ৰ লৈ আক্ৰমণ চলোৱা বিজেপিৰ দুষ্কৃতিকাৰী নেতা-কৰ্মীক প্ৰশ্ৰয় দিয়া অসম আৰক্ষীক ধিক্কাৰ দিয়ে। ভূপেন বৰাই কয় "নগাঁও জিলাৰ আৰক্ষী অধীক্ষকক শাস্তিমূলক বদলি কৰক। বিজেপিয়ে ভোটযুদ্ধৰ নামত কংগ্ৰেছ কৰ্মীৰ ওপৰত যি আক্ ৰমণ চলালে তাত আমাৰ মহিলা বিধায়ক শিৰামণি বৰাই ৰেহাই নাপালে। কেবাজনো কংগ্ৰেছ নেতা-কৰ্মীৰ ওপৰত আক্ৰমণ চলাই বিজেপিৰ কৰ্মীয়ে যি কাপুৰুষালি দেখুৱালে তাৰ বিৰুদ্ধে ১৩ নৱেম্বৰত গণতন্ত্ৰপ্ৰেমী ৰাইজে ৫টা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনত হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বৰ চৰকাৰৰ দুৰ্নীতি-ভ্ৰষ্টাচাৰ আৰু আগণতান্ত্ৰিক কাৰ্যৰ প্ৰত্যুত্তৰ দিব।" আনফালে বৰতল কাণ্ডৰে নিৰ্বাচনৰ দিন ঘোষণাৰ পূৰ্বে বিজেপিয়ে পৰাজয় স্বীকাৰ কৰা বুলি কটাক্ষ কৰে ৰকিবুল হুছেইনে। চকুৰ আগতে কংগ্ৰেছ কৰ্মীৰ গাড়ী চূৰমাৰ হোৱা ঘটনাক ধিক্কাৰ জনালে শিৰামণি বৰা আৰু ৰূপহীহাটৰ বিধায়ক নুৰুল হুদাই। আনহাতে বিজেপিয়ে প্ৰতিভিযোগ উত্থাপন কৰিছে। কংগ্ৰেছ কৰ্মীয়ে আক্ৰমণ কৰাত বিজেপিৰ কৰ্মী আহত হোৱাৰ অভিযোগ আনিছে বিজেপিয়ে। কংগ্ৰেছৰ ৰেলীত অংশ গ্ৰহণ কৰা লোকে গালি-গালাজ কৰাৰ লগতে বিজেপিৰ বিৰুদ্ধে শ্ল'গান দিয়াৰো অভিযোগ আনিছে বিজেপিয়ে। ফলত বিজেপিৰ কৰ্মীসকল উত্তেজিত হৈ পৰা বুলি কয়। ঘটনাস্থলীত আৰক্ষী উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে যদিও চামগুৰিত চেপা উত্তেজনা অব্যাহত আছে। এই ঘটনাৰ খবৰ পোৱাৰ লগে লগে বৰ্‌হমপুৰৰ বিধায়ক জিতু গোস্বামী আৰু দীপ্লুৰঞ্জন শৰ্মা উপস্থিত হৈ কংগ্ৰেছৰ বিৰুদ্ধে সৰৱ হয়। বিধায়ক জিতু গোস্বামীয়ে কয় যে এয়া হৈছে কংগ্ৰেছৰ পুৰণি নীতি। চামগুৰিত কংগ্ৰেছীসকলে বিভিন্ন ভয়-ভাবুকিৰে ইমানদিনে ৰাজত্ব কৰি আহিছিল। এতিয়া আৰু নোৱাৰে। বিজেপি দলৰ সাম্ভাব্য প্ৰাৰ্থী দীপ্লুৰঞ্জন শৰ্মাই কয় যে ৰকিবুল হুছেইনে ধুবুৰী, গোৱালপাৰা, লাহৰীঘাট, হোজাই আৰু ৰূপহীহাটৰ পৰা কংগ্ৰেছী গুণ্ডাবাহিনী লৈ চামগুৰিৰ বিজেপি কৰ্মীক আক্ৰমণ কৰিবলৈ চেষ্টা কৰিছে। কিন্তু কংগ্ৰেছ নেতৃত্বই কয় যে তেওঁলোকে শান্তিপূৰ্ণভাৱে ৰেলী কৰি গৈ থকাৰ সময়তে ৰেলীত অংশ লোৱা গাড়ী আৰু মানুহক আক্ৰমণ কৰে বিজেপিৰ কৰ্মীয়ে। ফলত কে'বাজনো কংগ্ৰেছ কৰ্মী আহত হৈছে আৰু আহতসকলক চিকিৎসালত ভৰ্তি কৰোৱা হৈছে। ইফালে, সন্ধিয়াৰ ভাগত ঘটনা সন্দৰ্ভত নগাঁও আৰক্ষী অধীক্ষকৰ কাৰ্যালয়ত উপস্থিত হৈ অভিযোগ দাখিল কৰে প্ৰাক্তন বিধায়ক তথা বৰ্তমান ধুবুৰীৰ সাংসদ ৰকিবুল হুছেইনে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ভাৰতলৈ আহি আছে ঘাতক প্ৰিডেটৰ

আলোচনাৰ পিছতে শেহতীয়াকৈ চুক্তি স্বাক্ষৰিত হৈছে দুয়োখন ৰাষ্ট্ৰৰ মাজত। খবৰ অনুসৰি, এই চুক্তি অনুসৰি ভাৰতীয় মূল্যত প্ৰায় ৩২ হাজাৰ টকাৰ বিনিময়ত আমেৰিকাই ভাৰতক অৰ্পণ কৰিব ৩১খন 'প্ৰিডেটৰ ড্ৰ'ন'। উল্লেখ্য যে, ভাৰত আৰু চীনৰ মাজত অব্যাহত থকা শীতল সংঘাতৰ পৰিপ্ৰেক্ষিতত আমেৰিকাৰ সৈতে ভাৰতৰ এই ড্ৰ'ন চুক্তি অতি তাৎপৰ্যপূৰ্ণ বিবেচিত হৈছে। কেন্দ্ৰীয় চৰকাৰে ভাৰতীয় স্থল, নৌ আৰু বায়ুসেনাৰ বাবে প্ৰিডেটৰ এম কিউ-৯বিৰ 'ছি গাৰ্ডিয়ান' আৰু 'স্কাই গাৰ্ডিয়ান' সংস্কৰণ ক্ৰয় কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। প্ৰণিধানযোগ্য যে, শেহতীয়াকৈ আমেৰিকাৰ ডেলাৱেৰত অনুষ্ঠিত হোৱা 'কুৱাড' শীৰ্ষ সন্মিলনত আলোচনাত মিলিত হৈছিল ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু আমেৰিকাৰ ৰাষ্ট্ৰপতি জো বিডেন। এই আলোচনাৰ এমাহৰ ভিতৰতে দুয়োখন দেশৰ মাজত এই ড্ৰ'ন সন্দৰ্ভত চুক্তি স্বাক্ষৰিত হোৱাটো দুয়োগৰাকী ৰাষ্ট্ৰপ্ৰধানৰ মাজত হোৱা আলোচনাৰ ফল বুলি অনুমান কৰা হৈছে। ইফালে যোৱা সপ্তাহত এই চুক্তিত অনুমোদন জনায় মোদী কেবিনেটে। সূত্ৰ অনুসৰি ৩১খন ড্ৰ'নৰ ভিতৰত ১৫খন নৌসেনাক, ৮খন সেনাবাহিনীক আৰু বাকী ৮খন বায়ুসেনাক প্ৰদান কৰা হ'ব। মন কৰিবলগীয়া যে, তালিবানৰ প্ৰতিষ্ঠাপক মোল্লা মহম্মদ ওমৰৰ পৰা আল কায়দাৰ মুৰব্বী আয়মান আল জাৱাহিৰীলৈকে বিগত দুটা দশকত বহু কুখ্যাত সন্ত্ৰাসবাদীৰ সন্ত্ৰাসৰ অন্ত পেলোৱাত মুখ্য ভূমিকা পালন কৰিছিল আমেৰিকাৰ এই ঘাতক ড্ৰ'ন প্ৰিডেটৰ ড্ৰ'নে। জেনেৰেল এটমিকছৰ দ্বাৰা নিৰ্মিত এই ড্ৰ'নটোৰ ক'ড নেম হৈছে MQ-9B। ২০১৭ চনত তদানীন্তন আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে এই ড্ৰ'ন ভাৰতক দিয়া হ'ব বুলি ঘোষণা কৰিছিল। প্ৰতিৰক্ষা মন্ত্ৰালয়েও মুঠ ৩১খন প্ৰিডেটৰ 'এমকিউ-৯বি' 'ছি গাৰ্ডিয়ান' আৰু 'স্কাই গাৰ্ডিয়ান' সংস্কৰণ ক্ৰয় কৰাৰ প্ৰাৰম্ভিক সিদ্ধান্ত গ্ৰহণ কৰে। আৰু ইয়াৰে প্ৰায় ছয় বছৰ পিছত অৱশেষত স্বাক্ষৰিত হয় দুয়োখন দেশৰ মাজৰ ড্ৰ'ন চুক্তি। সামৰিক পৰ্যবেক্ষকৰ এটা অংশই কয় যে যদিহে ৫০ হাজাৰ ফুট উচ্চতাত ২৭ ঘণ্টা ধৰি অবিৰতভাৱে উৰণৰ ক্ষমতা থকা প্ৰিডেটৰ ড্ৰ'ন উপলব্ধ হয় তেন্তে ভাৰতীয় সেনাই কোনো বিপদ নোহোৱাকৈ বালাকোটৰ দৰে অভিযান চলোৱা সম্ভৱ হ'ব। সূত্ৰ অনুসৰি ভাৰতীয় সেনাইও এই ড্ৰ'নক ১৭০০ কিলোগ্ৰামতকৈ অধিক ওজনৰ বোমা আৰু ক্ষেপণাস্ত্ৰৰে নিখুঁত লক্ষ্যত আঘাত কৰিব পৰাকৈ লাভ কৰিবলৈ আগ্ৰহী আছিল। কিন্তু ২০২১ চনত মোদী চৰকাৰৰ এটা পদক্ষেপ বাদ পৰিল। ভাৰতক প্ৰতিৰক্ষা উৎপাদনত স্বাৱলম্বী কৰি তুলিবলৈ ১০১টা প্ৰতিৰক্ষা সঁজুলি আমদানিত নিষেধাজ্ঞা আৰোপ কৰাৰ সিদ্ধান্ত লোৱা হয়। বিদেশত নিৰ্মিত ড্ৰ'নো সেই তালিকাত আছিল। অৱশেষত দুয়োখন দেশৰ মাজত সম্পন্ন হোৱা ড্ৰ'ন চুক্তিৰ জৰিয়তে অন্ত পৰে এই জটিলতাৰ। ইয়াৰ লগে লগে আধুনিক অস্ত্ৰ-শস্ত্ৰৰ ক্ষেত্ৰত ভাৰত আৰু অধিক শক্তিশালী হৈ পৰাতো নিশ্চিত হৈ পৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰশ্মিকা হ'ব চাইবাৰ সুৰক্ষাৰ এম্বেছেডৰ

লক্ষ্যৰে মানুহৰ মাজত সজাগতা সৃষ্টিৰ বাবে চাইবাৰ সুৰক্ষাৰ নেচনেল এম্বেছেদৰ হিচাপে নিযুক্তি প্ৰদান কৰা হৈছে দক্ষিণৰ জনপ্ৰিয় অভিনেত্ৰী ৰশ্মিকা মণ্ডান্নাক। উল্লেখ্য যে, প্ৰায় এটা বছৰ পূৰ্বে ছ'চিয়েল মিডিয়াত ভাইৰেল হৈ পৰিছিল অভিনেত্ৰীগৰাকীৰ এটা ডিপফেক ভিডিঅ'। নিজে চাইবাৰ অপৰাধৰ বলি হোৱা মণ্ডান্নাই নিজৰ অভিজ্ঞতাৰ জৰিয়তে চাইবাৰ অপৰাধৰ বিপদৰ বিষয়ে মানুহৰ মাজত সজাগতা বিয়পাব পাৰিব বুলি আশা কৰা হৈছে। ৰশ্মিকা মণ্ডান্নাক চাইবাৰ সুৰক্ষাৰ নেচনেল এম্বেছেদৰ হিচাপে নিযুক্তি প্ৰদানৰ বিষয়ে মঙলবাৰে জানিবলৈ দিয়ে গৃহ পৰিক্ৰমা মন্ত্ৰালয়ৰ অংশ ভাৰতীয় চাইবাৰ অপৰাধ সমন্বয় কেন্দ্ৰই। উল্লেখ্য যে, নেচনেল এম্বেছেদৰ হিচাপে দক্ষিণৰ তাৰকা অভিনেত্ৰীগৰাকীয়ে অনলাইন প্ৰৱঞ্চনা, ডিপফেক ভিডিঅ', চাইবাৰ বুলিং, আৰু ক্ষতিকাৰক এআই-উৎপন্ন বিষয়বস্তুকে ধৰি বিভিন্ন অনলাইন ভাবুকিৰ বিষয়ে জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিৰ বাবে ৰাষ্ট্ৰীয় অভিযানৰ নেতৃত্ব দিব। এই সন্দৰ্ভত ইনষ্টাগ্ৰামত এটা ভিডিঅ' বাৰ্তা শ্বেয়াৰ কৰি ৰশ্মিকাই কয়, "চাইবাৰ অপৰাধ হৈছে এক বিপজ্জনক আৰু ব্যাপক ভাবুকি, যিয়ে বিশ্বজুৰি ব্যক্তি, ব্যৱসায় আৰু সম্প্ৰদায়ক প্ৰভাৱিত কৰে। এই অভিজ্ঞতা লাভ কৰা এজন ব্যক্তি হিচাপে মই এই বিষয়সমূহৰ বিষয়ে সজাগতা সৃষ্টি আৰু ইতিবাচক পৰিৱৰ্তনক আগুৱাই নিবলৈ চাইবাৰ সুৰক্ষাৰ বাৰ্তা প্ৰচাৰৰ বাবে উৎসৰ্গিত। এই ভাবুকিসমূহৰ বিৰুদ্ধে যুঁজিবলৈ আৰু আমাৰ ডিজিটেল স্থানসমূহ সুৰক্ষিত কৰিবলৈ আমি একত্ৰিত হোৱাটো অতি গুৰুত্বপূৰ্ণ।" ইফালে চাইবাৰ সুৰক্ষাৰ নেচনেল এম্বেছেদৰ হিচাপে ৰশ্মিকা মণ্ডান্নাই ইতিমধ্যে সমাজত থকা তেওঁৰ প্ৰভাৱ আৰু দায়বদ্ধতাৰে সজাগতা সৃষ্টি কৰি এক সুৰক্ষিত ডিজিটেল পৰিৱেশৰ সৃষ্টি কৰিব পাৰিব বুলি আশা প্ৰকাশ কৰে গৃহ পৰিক্ৰমা মন্ত্ৰালয়ে। চৰকাৰৰ এই প্ৰয়াসক চাইবাৰ বিশেষজ্ঞসকলে আদৰণি জনাইছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বিজেপি নেতাৰ বিৰুদ্ধে শিৱামণিৰ

ৰাজ্যত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। চামগুৰিত এগৰাকী মহিলা বিধায়কৰ গাত হাত দিয়াৰো গুৰুতৰ অভিযোগ উত্থাপন হৈছে। তিনিগৰাকী বিধায়ক শিৱামণি বৰা, নুৰুল হুদা আৰু আছিফ মহম্মদ নজৰৰ উপস্থিতিত উলিওৱা ৰেলী গৈ থকাৰ সময়তে ৰূপহীহাটৰ বৰতলত বিজেপিৰ নেতা-কৰ্মীয়ে আগভেটা দি আক্ৰমণ কৰা ঘটনাক ৰাজ্যৰ সুধি সমাজে সহজে ল'ব পৰা নাই। বিশেষকৈ মহিলা বিধায়কৰ গাত হাত দিয়া বুলি উত্থাপিত অভিযোগক সহজে ল'ব পৰা নাই অসমৰ একাংশ লোকে। বটদ্ৰৱা সমষ্টিৰ বিধায়িকা শিৱামণি বৰাক আক্ৰমণৰ অভিযোগৰ পাছতে কংগ্ৰেছৰ শীৰ্ষ নেতাসকলে প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে। ইপিনে বটদ্ৰৱা সমষ্টিৰ বিধায়িকা শিৱামণি বৰাই নিশা নগাঁৱৰ ৰূপহীহাট আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছে। বিধায়িকা শিৱামণি বৰাই তেওঁৰ ওপৰত আক্ৰমণ হোৱা বুলি দাবী কৰি কেইবাগৰাকী লোকক অভিযুক্ত কৰি নগাঁৱৰ ৰূপহীহাট আৰক্ষী থানাত এজাহাৰ দাখিল কৰে। এজাহাৰত বিধায়িকা বৰাই আক্ৰমণৰ নেতৃত্ব দিয়া বুলি এজন বিজেপি নেতাৰ নাম উল্লেখ কৰিছে। সেইজন হৈছে মজিবুৰ ৰহমান। লগতে মুক্তাদুল ইছলাম, আব্দুল কাচেম, আবু তাহেৰ, নাছিৰ উদ্দিন, ৰশ্বিদুল হক জড়িত বুলি এজাহাৰত উল্লেখ কৰিছে। বিধায়িকা শিৱামণি বৰাই এজাহাৰত কয় যে চামগুৰি বিধানসভা সমষ্টিত আগন্তুক উপ-নিৰ্বাচনৰ বাবে আজি প্ৰশাসনৰ অনুমতিত ৰেলী উলিওৱা হৈছিল। বাজিয়া আৰু লাওখোৱা ব্লক কংগ্ৰেছৰ উদ্যোগত উলিওৱা ৰেলীত অভিযুক্তসকলে তেওঁৰ গাড়ীত আক্ৰমণ কৰি হত্যাৰ চেষ্টা চলায়। আনহাতে, নিশা নগাঁও আৰক্ষী অধীক্ষকক সাক্ষাৎ কৰে কংগ্ৰেছৰ সাংসদ-বিধায়কৰ এটা দলে। সাংসদ ৰকিবুল হুছেইনৰ নেতৃত্বত বিধায়ক নুৰুল হুদা, বিধায়িকা শিৱামণি বৰাই আৰক্ষী অধীক্ষকক সাক্ষাৎ কৰি আক্ৰমণকাৰীক গ্ৰেপ্তাৰ আৰু শাস্তিৰ দাবী জনায়। ৰেলীত আক্ৰমণ কৰাসকল বিজেপি কৰ্মী বুলি স্পষ্ট কৰিছে কংগ্ৰেছ দলে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# প্ৰত্যক্ষ ৰাজনীতিলৈ প্ৰিয়ংকা গান্ধী

ৰাজ্যৰ ৪৮খন বিধানসভা আৰু দুখন লোকসভা আসনৰ উপ-নিৰ্বাচনৰ সময়সূচী। এই উপ-নিৰ্বাচনতে কেৰালাৰ ৱায়নাড লোকসভা সমষ্টিৰ পৰা প্ৰাৰ্থিত্ব প্ৰদান কৰা হৈছে প্ৰিয়ংকা গান্ধী ভাদ্ৰাক। ইয়াৰ লগে লগে নিৰ্বাচনী ৰাজনীতিত প্ৰৱেশ ঘটে গান্ধী পৰিয়ালৰ আন এজন সদস্যৰ। উল্লেখ্য যে, বিগত লোকসভা নিৰ্বাচনত উত্তৰ প্ৰদেশৰ ৰায়বৰেলী আৰু কেৰালাৰ ৱায়নাড আসনত প্ৰতিদ্বন্দ্বিতা আগবঢ়াই দুয়োখন আসনতে জয়লাভ কৰিছিল কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে। পৰৱৰ্তী পৰ্যায়ত তেওঁ ৰায়বৰেলী সমষ্টি নিজৰ লগত ৰাখি ৱায়নাড আসনখন এৰি দিয়ে। যাৰ বাবে এই আসনখনৰ বাবে অহা ১৩ নৱেম্বৰত উপ-নিৰ্বাচন অনুষ্ঠিত কৰিব নিৰ্বাচন আয়োগে। ৰাজনীতিৰ পথাৰত বহু পূৰ্বেই প্ৰিয়ংকা গান্ধীৰ প্ৰৱেশ ঘটিছিল যদিও প্ৰতিদ্বন্দ্বিতাৰ ৰণাংগনত তেওঁ অৱতীৰ্ণ হোৱাক লৈ দীৰ্ঘদিনৰ পৰাই জল্পনা-কল্পনা চলি আহিছিল। শেহতীয়া লোকসভা নিৰ্বাচনৰ পূৰ্বে ৰাহুল গান্ধীয়ে আমেথি আসন এৰি ৰায়বৰেলীৰ পৰা প্ৰতিদ্বন্দ্বিতা আগবঢ়াবলৈ সিদ্ধান্ত গ্ৰহণৰ পিছত আমেথিত স্মৃতি ইৰাণীৰ বিৰুদ্ধে প্ৰিয়ংকা গান্ধীক প্ৰাৰ্থিত্ব প্ৰদান কৰা হ'ব পাৰে বুলি জল্পনা-কল্পনা চলা দেখা গৈছিল। কিন্তু শেষ মুহূৰ্তত কংগ্ৰেছে এই আসনখনৰ পৰা গান্ধী পৰিয়ালৰ ঘনিষ্ঠ হিচাপে পৰিচিত কিশোৰী লাল শৰ্মাক থিয় কৰায় আৰু তেওঁ স্মৃতি ইৰাণীক পৰাস্ত কৰি লোকসভালৈ নিৰ্বাচিত হ'বলৈও সক্ষম হয়। মন কৰিবলগীয়া যে, হিমাচল প্ৰদেশ আৰু কৰ্ণাটকত কংগ্ৰেছৰ চৰকাৰ গঠনৰ কৃতিত্ব প্ৰিয়ংকা গান্ধীক প্ৰদান কৰিব বিচাৰে দলৰ নেতা-কৰ্মীয়ে। কংগ্ৰেছৰ ৰাজনীতিত এগৰাকী শক্তিশালী নেত্ৰী হিচাপে পৰিগণিত হোৱা প্ৰিয়ংকা গান্ধীয়ে নিৰ্বাচনী ৰাজনীতিত নামাৰ দাবী কৰি আহিছিল বহু দলীয় নেতা-কৰ্মীয়ে। এনে পৰিপ্ৰেক্ষিততে ৰাহুল গান্ধীয়ে ৰায়বৰেলীৰ আসনখন ৰাখি ৱায়নাড আসন এৰি দিয়াত উপ-নিৰ্বাচনত প্ৰিয়ংকা গান্ধীক প্ৰাৰ্থিত্ব প্ৰদানক লৈ পুনৰ জল্পনা-কল্পনা আৰম্ভ হয়। অৱশেষত এই জল্পনা-কল্পনাক সত্য প্ৰমাণিত কৰি ৱায়ানাডৰ পৰা প্ৰিয়ংকাক প্ৰাৰ্থিত্ব প্ৰদান কৰে কংগ্ৰেছ নেতৃত্বই। নিৰ্বাচনী প্ৰতিদ্বন্দ্বিতাৰ পৰা আঁতৰত থাকি দলৰ হৈ প্ৰচাৰ কৰি অহা প্ৰিয়ংকা গান্ধীয়ে এতিয়া নিৰ্বাচনত অৱতীৰ্ণ হৈ নিজে কেনেদৰে আগবাঢ়ে সেয়া লক্ষণীয় হ'ব।

# ৰঙিয়াৰ মধুকুছিত ৪১ সংখ্যক কাতিমহীয়া নাম অনুষ্ঠানৰ ব্যাপক আয়োজন

**ই-সংবাদ, ৰঙিয়া, ১৫ অক্টোবৰঃ** ৰঙিয়াৰ মধুকুছিত ৪১ সংখ্যক কমাৰপাৰা চুবুৰী বাৰ্ষিক কাতিমহীয়া নামৰ ব্যাপক আয়োজন কৰা হৈছে। এই অনুযায়ী অহা ২০ অক্টোবৰত দিনযোৰাকৈ আয়োজন কৰা কাৰ্যসূচী অনুসৰি পুৱা ধৰ্মধ্বজা উত্তোলন কৰিব চুবা পৰিচালনা সমিতিৰ সভাপতি অজিত ৰাজবংশীয়ে। ইয়াৰ পিছতে স্মৃতি তৰ্পণ, গছপুলি ৰোপণ, ভাগৱত পাঠ অনুষ্ঠিত কৰা হ'ব। সন্ধিয়া বন্তি প্ৰজ্বলন, কৃতী ছাত্ৰ-ছাত্ৰীৰ সম্বৰ্দ্ধনা অনুষ্ঠান অনুষ্ঠিত হ'ব। নিশা ভৱেন চন্দ্ৰ কলিতা আৰু সত্যব্ৰত ডেকাৰ নাগাৰা নামৰ অনুষ্ঠানৰে কাৰ্যসূচীৰ পৰিসমাপ্তি ঘটিব। সমূহ কাৰ্যসূচীতে ভক্তপ্ৰাণ ৰাইজৰ সহযোগিতা কামনা কৰিছে উদ্যোক্তা সমিতিয়ে। উল্লেখ্য যে প্ৰতিবছৰে অঞ্চলটোত কাতিমহীয়া নামৰ অনুষ্ঠান আয়োজন কৰি অহা হৈছে। এইবাৰো এই কাতিমহীয়া নামৰ অনুষ্ঠানটোক লৈ ৰাইজে প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আজি মেঘালয়লৈ আহিব উপ-ৰাষ্ট্ৰপতি

উপ-ৰাষ্ট্ৰপতি তথা ৰাজ্যসভাৰ উপাধ্যক্ষ জগদীপ ধনখৰ। কালি আবেলি শ্বিলং হেলিপেডত উপস্থিত হৈ জগদীপ ধনখৰে মাওডিয়াঙলৈ যাব। মাওডিয়াঙত ধনখৰে ৰাজ্যিক সন্মিলন কেন্দ্ৰত দক্ষতা আৰু উদ্ভাৱন কেন্দ্ৰৰ আধাৰশিলা স্থাপন কৰিব। সেই সময়ত মুখ্যমন্ত্ৰী কনৰাড চাংমাৰ সৈতে ধনখৰে মাওডিয়াঙৰ তথ্য প্ৰযুক্তি উদ্যান পৰিদৰ্শন কৰিব। জগদীপ ধনখৰে ৰাজ্যখনত দক্ষতা বিকাশ আৰু পৰ্যটন বৃদ্ধিৰ লক্ষ্যৰে গুৰুত্বপূৰ্ণ কাৰ্যসূচীত অংশ ল'ব। সন্ধিয়া উপ-ৰাষ্ট্ৰপতিৰ বাবে ৰাজভৱনৰ দৰবাৰ হলত এক সাংস্কৃতিক কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। ৰাজভৱনত 'এক পেড মা কে নাম' অভিযানৰ অধীনত গছপুলি ৰোপণ কৰিব। ভ্ৰমণৰ দ্বিতীয় দিনা কেইবাটাও পৰ্যটকৰ আকৰ্ষণৰ কেন্দ্ৰ আৰৱাহ গুহা, নোহকলিকাই জলপ্ৰপাত, ছেভেন চিষ্টাৰ্ছ জলপ্ৰপাত, চেৰাপুঞ্জি ভ্ৰমণ কৰিব। উপ-ৰাষ্ট্ৰপতিৰ ভ্ৰমণৰ বাবে শ্বিলঙৰ কেইবাটাও পথত সাধাৰণ লোকৰ যাত্ৰা বাতিল কৰা হৈছে। এই ভ্ৰমণক লৈ নিৰাপত্তা কটকটীয়া কৰা হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# পুনৰ বিমানত আক্ৰমণৰ ভাবুকি

কৰা এনে ভাবুকিক লৈ উদ্বিগ্ন হৈ পৰিছে নিৰাপত্তা সংস্থাসমূহো। শেহতীয়াকৈ ভাৰতীয় বিমান সংস্থাৰ কেইবাখনো বিমানত সৃষ্টি হোৱা আতংকৰ পিছতে এই অজ্ঞাত ভাবুকিৰ তদন্তৰ বাবে তৎপৰ হৈ পৰিছে নিৰাপত্তা সংস্থাসমূহ। এয়াৰ ইণ্ডিয়া, স্পাইচজেট, ইণ্ডিগ' আৰু আকাছাৰ বিমান বোমাৰে উৰুৱাই দিয়া হ'ব বুলি ভাবুকি প্ৰদান কৰিছে অজ্ঞাত লোকে। মঙলবাৰেও এনে এক ভাবুকিয়ে আতংকৰ সৃষ্টি কৰে এয়াৰ ইণ্ডিয়াৰ এখন বিমানত। দিল্লীৰ পৰা চিকাগো অভিমুখে উৰা মৰা বিমানখনত বোমা বিস্ফোৰণৰ ভাবুকিৰ পিছতে মঙলবাৰে বিমানখনৰ পথ সলনি কৰি কানাডাৰ এটা বিমানবন্দৰত জৰুৰী অৱতৰণ কৰিবলগীয়া হয়। বিমান সংস্থাটোৱে এক বিবৃতিয়োগে জানিবলৈ দিয়া মতে, অনলাইন নিৰাপত্তাজনিত ভাবুকি প্ৰকাশ পোৱাৰ পিছতে ১৫ অক্টোবৰত দিল্লীৰ পৰা চিকাগোলৈ উৰা মৰা এআই ১২৭ বিমানখন সতৰ্কতামূলক ব্যৱস্থা হিচাপে কানাডাৰ ইকালুইট বিমানবন্দৰত অৱতৰণ কৰা হয়। বিমান সংস্থাটোৰ বিবৃতিত কোৱা হয়, "নিৰ্ধাৰিত নিৰাপত্তা প্ৰট'কল অনুসৰি বিমান আৰু যাত্ৰীসকলক পুনৰ পৰীক্ষা কৰা হৈছে। এয়াৰ ইণ্ডিয়াই বিমানবন্দৰত এজেন্সী সক্ৰিয় কৰি যাত্ৰীসকলক তেওঁলোকৰ যাত্ৰা পুনৰ আৰম্ভ নোহোৱালৈকে সহায় কৰিবলৈ সক্ষম কৰিছে।" বিমানখনত বোমা বিস্ফোৰণ সংঘটিত কৰাৰ ভাবুকি লাভ কৰাৰ পিছতে এই সতৰ্কতামূলক ব্যৱস্থা গ্ৰহণ কৰা বুলি মন্তব্য কৰে এগৰাকী বিষয়াই। প্ৰণিধানযোগ্য যে, ইয়াৰ পূৰ্বে ইণ্ডিগ'ৰ বিমানতো এনে বিস্ফোৰণৰ ভাবুকি প্ৰদান কৰা হৈছিল। এই ভাবুকি লাভ কৰাৰ পিছতে দমামৰ পৰা লক্ষ্ণৌ অভিমুখী ইণ্ডিগ'ৰ বিমানখন জয়পুৰলৈ ডাইভাৰ্ট কৰা হয়। বোমা বিস্ফোৰণৰ ভাবুকিৰ পিছত বিমানখনৰ জৰুৰী অৱতৰণ কৰা কৰি পুংখানুপুংখ তদন্ত চলোৱা হয়। একে ভাবুকি লাভ কৰে স্পাইচজেট আৰু আকাছা এয়াৰলাইন্সৰ বিমানেও। যাৰ পিছতে বিমান দুখন জৰুৰী অৱতৰণ কৰি তন্নতন্ন তালাচী চলোৱা হয়। ইফালে মঙলবাৰে বিস্ফোৰণৰ ভাবুকিৰ পিছতে উত্তৰ প্ৰদেশৰ অযোধ্যা বিমানবন্দৰত জৰুৰী অৱতৰণ কৰে এয়াৰ ইণ্ডিয়া এক্সপ্ৰেছৰ এখন বিমানে। বিমান সংস্থাটোৰ এগৰাকী বিষয়াই এই সন্দৰ্ভত তথ্য প্ৰদান কৰি কয়, 'এয়াৰ ইণ্ডিয়া এক্সপ্ৰেছৰ লগতে আন কিছুমান অপাৰেটৰে এটা অনভেৰিফাইড ছ'চিয়েল মিডিয়া একাউণ্টৰ পৰা ভাবুকি লাভ কৰিছিল। ইয়াৰ প্ৰতিক্ৰিয়া স্বৰূপে চৰকাৰে নিযুক্তি দিয়া বোমা ভাবুকি মূল্যায়ন সমিতিৰ নিৰ্দেশ অনুসৰি তৎক্ষণাত নিৰাপত্তা প্ৰট'কল সক্ৰিয় কৰা হয়। বিমানখন নিৰাপদে অৱতৰণ কৰে আৰু সকলো বাধ্যতামূলক সুৰক্ষা পদ্ধতি মানি চলিলেহে বিমানখন উৰণৰ অনুমতি দিয়া হ'ব।' বিষয়াগৰাকীয়ে লগতে জানিবলৈ দিয়া মতে, বয়িং ৭৩৭-মেক্স ৮ বিমানখনে ১৩২ গৰাকী যাত্ৰীসহ জয়পুৰৰ পৰা বাংগালুৰুলৈ উৰা মৰাৰ ক্ষন্তেক পিছতে এই ভাবুকি লাভ কৰে।

## হাৰিয়ানাৰ পৰা কিবা কিবি শিকিব পাৰিলে ভাল বুলি মন্তব্য

# 'হাৰিয়ানাৰ নিৰ্বাচনৰ ফলাফলক লৈ দেৱব্ৰত শইকীয়াৰ নামবিহীন আক্ৰমণ

**ই-সংবাদ, ১৫ অক্টোবৰঃ** হাৰিয়ানাৰ নিৰ্বাচনৰ ফলাফলত অসম কংগ্ৰেছত পাৰ্শ্বিক্ৰিয়া দেখা গৈছে। অসম কংগ্ৰেছৰ একাংশ নেতাৰ আচৰণে তাকেই প্ৰতিপন্ন কৰিছে। মুখ্যমন্ত্ৰীৰ প্ৰাৰ্থীক লৈ অসম কংগ্ৰেছৰ ভিতৰত যুঁজ চলি থকাৰ কথা সংবাদমাধ্যমে খবৰ প্ৰকাশ কৰি গৈছে। তেনে সময়তে হাৰিয়ানাৰ নিৰ্বাচনৰ ফলাফলৰ পাৰ্শ্বক্ৰিয়া দেখা গৈছে। বিশেষকৈ বিৰোধী দলপতি দেৱব্ৰত শইকীয়াৰ এটা ফেচবুক পোষ্টক হাৰিয়ানাৰ নিৰ্বাচনৰ পাৰ্শ্বক্ৰিয়া হিচাপে দেখা গৈছে। এদিন পূৰ্বে বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই ফেচবুকত এটা পোষ্ট দি কয় "লোকৰ অভিজ্ঞতাৰ পৰা শিক্ষা ললে ভাল। নিজৰ ওপৰত প্ৰয়োগ কৰি ললে ক্ষতি হ'ব। হাৰিয়ানাৰ পৰা কিবা কিবি শিকিব পাৰিলে ভাল।" প্ৰাক্তন মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াৰ পুত্ৰ দেৱব্ৰত শইকীয়াই এনে পোষ্টৰ দ্বাৰা কংগ্ৰেছৰ মুখ্যমন্ত্ৰী পদৰ প্ৰাৰ্থী হোৱাৰ বিষয়টোক লৈ নিজ দলৰ নেতাক কটাক্ষ কৰা বুলি চৰ্চা চলিছে। মুখ্যমন্ত্ৰীৰ দৌৰত ভূপেন বৰা, গৌৰৱ গগৈৰ নাম মিডিয়াই চৰ্চা কৰি গৈছে। সমানে দেৱব্ৰত শইকীয়াৰ নামো মুখ্যমন্ত্ৰী পদৰ বাবে চৰ্চা হৈ আহিছে। কথা ইমানতে সমাপ্ত হোৱা নাই। কংগ্ৰেছৰ একাংশ নেতাই প্ৰদেশ কংগ্ৰেছৰ সভাপতি সলনি কৰি গৌৰৱ গগৈক সভাপতিৰ দায়িত্ব প্ৰদানৰ দাবী জনাই আহিছে। তেনে সময়তে হাৰিয়ানাৰ ফলাফলে পৰা কিয় শিক্ষা ল'বলৈ ক'লে সেয়া ৰহস্যৰ বিষয় হৈ পৰিছে। হাৰিয়ানাৰ নিৰ্বাচনত কংগ্ৰেছে কমেও ৬২ খন আসন লাভ কৰিব বুলি দাবী কৰিছিল। নিৰ্বাচনী বিশেষজ্ঞসকলেও কংগ্ৰেছৰ চৰকাৰ গঠন হ'ব বুলি অনুমান কৰিছিল। কিন্তু নিৰ্বাচনৰ ফলাফল ঘোষণাৰ দিনটোত ৯০ খন আসনৰ ভিতৰত কংগ্ৰেছৰ হাতলৈ আহিছিল মাথো ৩৭ খন আসন। এই ফলাফলক সৰ্বভাৰতী কংগ্ৰেছে সহজে ল'ব পৰা নাছিল। ভোটগণনাৰ পূৰ্বে কংগ্ৰেছ দলিত নেত্ৰী কুমাৰী শৈলজাই প্ৰচাৰৰ পৰা আতৰি আছিল। সাংসদ হৈ থকাৰ পাছতো বিধানসভাত টিকট বিচাৰিছিল শৈলজাই। সেই সময়তে শৈলজাৰ সমৰ্থকে দলিতক অপমান কৰাৰ দোহাই দিয়াত শৈলজাই নিৰ্বাচনী প্ৰচাৰৰ পৰা আতৰি আছিল। আনহাতে, দীপেন্দৰ সিং হুড্ডা, ভূপেন্দৰ সিং হুড্ডা আৰু ৰণদ্বীপ সিং সুৰজেৱালাই একত্ৰিত হৈ কাম কৰাৰ পৰিৱৰ্তে নিজ নিজেই সভা-সমিতি কৰি প্ৰচাৰ চলাইছিল। ফলত কংগ্ৰেছৰ হাতৰ পৰা ওলাই গৈছিল হাৰিয়ানা। তাৰ পাছতে হাৰিয়ানাৰ নেতৃত্বত দিল্লীলৈ তলৱ কৰা হয়। দিল্লীত ৰাহুল গান্ধীয়ে বন্ধ কোঠাত হাৰিয়ানাৰ নেতৃত্বককঠোৰ ভাষাৰে সমালোচনা কৰে। হাৰিয়ানাত পৰাজয়ৰ বাবে কংগ্ৰেছৰ আভ্যন্তৰীণ বিবাদক জগৰীয়া কৰি এই ফলাফলৰ পৰা শিক্ষা ল'বলৈ দলৰ নেতাকসকলক আহ্বান জনাইছিল গান্ধীয়ে। এতিয়া অসমৰ বিৰোধী দলপতি তথা কংগ্ৰেছ নেতা দেৱব্ৰত শইকীয়াই ৰাহুল গান্ধীৰ সুৰতে সুৰ মিলাই হাৰিয়ানাৰ নিৰ্বাচনৰ পৰা শিক্ষা ল'বলৈ জনোৱা আহ্বানে তাৎপৰ্য বহন কৰিছে। এতিয়া শইকীয়াই কোৱাৰ দৰে হাৰিয়ানাৰ ফলাফলৰ পৰা অসম কংগ্ৰেছৰ নেতাসকলে শিক্ষা ল'ব নে নলয় সেয়া লক্ষণীয় হ'ব।

# আৰক্ষীৰ কাণ্ডত গোলকগঞ্জত তীব্ৰ প্ৰতিক্ৰিয়া

**ই-সংবাদ, গোলকগঞ্জ, ১৫ অক্টোবৰঃ** ধুবুৰী জিলাৰ হালাকুৰা আৰক্ষী তালাচী চকীৰ অন্তৰ্গত পোকালাগী তৃতীয় খণ্ড গাঁৱৰ এক পাষণ্ডই সংঘটিত কৰিছে ভয়ংকৰ কাণ্ড। ষড়যন্ত্ৰমূলকভাৱে পত্নীৰে বিবাহ বিচ্ছেদ কৰি নাবালিকাক অপহৰণ কৰে এক পাষণ্ডই। কিন্তু ঘটনাক আৰক্ষীয়ে গুৰুত্ব নিদিয়াৰ অভিযোগ উত্থাপিত হৈছে। জানিব পৰা মতে, দীঘলটাৰী গাঁৱৰ এগৰাকী ১৬ বছৰীয়া কিশোৰী যোৱা ২৩ আগষ্টত সমীপৰ্বতী আঠঘৰীটাৰী ছিনিয়ৰ মাদ্ৰাছালৈ গৈছিল। ৩ বজাত ছিনিয়ৰ মাদ্ৰাছা ছুটিত নৱম শ্ৰেণীৰ ছাত্ৰীগৰাকী ঘৰমুৱা হওতে পোকালাগী তৃতীয় খণ্ড গাঁৱৰ আবু তাহেৰ আলীয়ে সমীপৰ মমেনা বিবিৰ ঘৰত মাতি নিয়ে মাদ্ৰাছাৰ ছাত্ৰীগৰাকীক। পাছত মমেনা, আবু তাহেৰৰ পিতৃ আজিজুৰ সেখ ভাতৃ সহিদুল ইছলাম আৰু কৈমাৰী গাঁৱৰ জব্বাৰ সেখে বিভিন্ন প্ৰলোভন দি ছাত্ৰীগৰাকীক অপহৰণ কৰে। পৰিয়ালৰ লোকে অভিযোগ কৰা মতে, বহিঃৰাজ্যত বিক্ৰীৰ উদ্দেশ্যে পাঁচজন লোকে মিলি অপহৰণ কৰি গোপন স্থানত নাবালিকাক বন্দী কৰিছে। ইচ্ছাৰ বিৰুদ্ধে বলপূৰ্বক অবৈধ সম্পৰ্ক চলাই গৈছে। পৰিয়ালৰ লোকে আগষ্টত মাহতে হালাকুৰা আৰক্ষীৰ কাষ চাপে। কিন্তু হালাকুৰা আৰক্ষী তালাচী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া অৰূপজ্যোতি ৰায়ে গুৰুত্ব নিদিয়াত ২ ছেপ্টেম্বৰত ধুবুৰী জিলা আৰক্ষী অধীক্ষকক লিখিত অভিযোগ দিয়ে। ঘটনাটো অঞ্চলটোত ব্যাপক চৰ্চা লাভ কৰে। এই খবৰ পাই হুৱাদুৱা লাগে পাষণ্ড আবু তাহেৰৰ পত্নীৰ। পোহৰ লৈ আন এক ৰহস্যময় অধ্যায়। আবু তাহেৰৰ পত্নীয়ে ২ ছেপ্টেম্বৰতে গোলকগঞ্জ থানাত আবু তাহেৰকে ধৰি ৭ জনৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰে। এজাহাৰত উল্লেখ কৰা মতে, কুটিল বুদ্ধিৰ আবু তাহেৰে নাবালক সন্তানৰ জীৱন বীমা কৰাৰ কথা কৈ কম পঢ়া শুনা জনা পত্নীৰ পৰা এমাহ পূৰ্বে উকা কাগজত চহী লৈছিল। অপহৰণ কাণ্ডৰ দিনা অৰ্থাৎ ২৩ আগষ্টৰ পুৱা আবু তাহেৰে বিবাহ বিচ্ছেদৰ নথি দেখুৱাই দুই লাখ টকা দাবী কৰে। দিবলৈ সক্ষম নোহোৱাত মাৰপিট কৰি পত্নীক মাতৃ গৃহত খেদি পঠায়। সমগ্ৰ ঘটনা অৱগত কৰি আবু তাহেৰৰ পত্নী তাজমিনা খাতুনে গোলকগঞ্জ থানাত এজাহাৰ দিয়ে। ইপিনে অপহৰণ হোৱা নাবালিকাৰ পিতৃয়ে আৰক্ষী অধীক্ষকে দিয়া পৰামৰ্শ মতে পুনৰ সকলো ঘটনা বিৱৰি গোলকগঞ্জ থানাত পুনৰ এখন এজাহাৰ দিয়ে। গোলকগঞ্জ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া দেৱজিৎ কলিতাই ২০২/২৪ নম্বৰত গোচৰ ৰুজু কৰিয়ে দায়িত্ব সামৰে।

## সাংসদ দিলীপ শইকীয়াক সমালোচনা ৰাইজৰ

# শৰতৰ এজাক বৰষুণত খণ্ড-বিখণ্ড হৈ গ'ল দলগাঁৱৰ কোটিটকীয়া ৰাজপথ

**ই-সংবাদ, দলগাঁও, ১৫ অক্টোবৰঃ** নিৰ্বাচন আহিলেই সাংসদ দিলীপ শইকীয়াই অসম মালা পথৰ প্ৰসংগৰে মুখ্যমন্ত্ৰীৰ প্ৰশংসাত পঞ্চমুখ হৈ পৰা দলগাঁৱৰ পৰা শিঙৰী অভিমুখে যোৱা পথছোৱা এজাক বৰষুণতে বিধ্বস্ত হৈ পৰিছে। অসম মালা আঁচনিৰ জৰিয়তে লোক নিৰ্মাণ বিভাগৰ অধীনত আৰম্ভ হৈছিল উক্ত পথছোৱাৰ নিৰ্মাণৰ কাম। আৰম্ভণিৰে পৰা পথটোৰ কাম নিম্ন মানৰ হোৱা বুলি স্থানীয় ৰাইজ আৰু দল সংগঠনে অভিযোগ উত্থাপন কৰি প্ৰতিবাদ সাব্যস্ত কৰিছিল যদিও ঠিকাদাৰ আৰু লোক নিৰ্মাণ বিভাগৰ বিষয়া-কৰ্মচাৰীয়ে কোনো গুৰুত্ব নিদিয়াত বছৰটোৰ শেষৰ ভাগত অহা এজাক বৰষণৰ পানীয়ে উটুৱাই নিয়ে কালভাৰ্ট। ফলত নিৰ্মীয়মান কেবাকোটি টকীয়া পথছোৱা নিৰ্মাণ সম্পূৰ্ণ নৌহওঁতেই খহি বিধ্বস্ত হৈ যায়। উল্লেখ্য যে, পথ নিৰ্মাণত অনিয়ম সংঘটিত হোৱাৰ বাতৰি একাধিক সংবাদ মাধ্যমত কেইবাবাৰো সম্প্ৰচাৰ হৈছিল। কিন্তু তাৰ পিছতো কোনোধৰণৰ ব্যাৱস্থা গ্ৰহণ নকৰিলে বিভাগীয় কৰ্তৃপক্ষই। ধুপগুৰি গাঁৱৰ মাজেৰে পাৰ হৈ যোৱা 'অসম মালা' পথত থকা কৰ্লভাৰ্টটো সামান্য এজাক বৰষুণতে বহি যোৱাত বৰ্তমান যোগাযোগ বিচ্ছিন্ন হৈ পৰে শিলবৰী, বৰছলাকে আদি কৰি বৃহত্তৰ এলেকা। কাৰ্লভাৰ্টটো বহি যোৱাত ৰাইজৰ মাজত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। অনিয়মৰে পথটো নিৰ্মাণ কৰা বাবেই এনে অৱস্থা হ'বলৈ পালে বুলি অভিযোগ কৰিছে ৰাইজে। ঠিকাদাৰ আৰু দায়িত্বত থকা বিভাগীয় বিষয়া-কৰ্মচাৰীৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে শীঘ্ৰে পথটো মেৰামতি কৰিবলৈ ৰাইজে দাবী জনাইছে। শূন্য সহনশীলতাৰ কথা কৈ অহা চৰকাৰখনে এতিয়া ঠিকাদাৰ প্ৰতিষ্ঠান তথা বিভাগীয় বিষয়া-কৰ্মচাৰীৰ বিৰুদ্ধে কি ব্যৱস্থা গ্ৰহণ কৰে সেয়া লক্ষণীয় হ'ব।



দলগাঁৱত শৰতৰ এজাক বৰষুণতে বিধ্বস্ত অসম মালা আঁচনিৰ অধীনত নিৰ্মাণ কৰা পথ, ফটোঃ ই-সংবাদ, দলগাঁও

# কলগাছিয়াত শিক্ষানুষ্ঠানৰ অধ্যক্ষই উপাধ্যক্ষক আক্ৰমণৰ অভিযোগ

**ই-সংবাদ, কলগাছিয়া, ১৫ অক্টোবৰঃ** বৰপেটা জিলাৰ সাওৱাচৰা এম.কে উচ্চতৰ মাধ্যমিক বিদ্যালয়ত সংঘটিত এক ঘটনাই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। বিদ্যালয়ৰ অধ্যক্ষ মুক্তাৰ আলী খানে উপাধ্যক্ষ হাৰেজ আলী খানক মাৰপিট কৰিব খোজাৰ অভিযোগ উঠিছে। ছাত্ৰ-ছাত্ৰীৰ সন্মুখতে অমাৰ্জিত ভাষাৰে গালি গালাজ কৰাৰ লগতে মাৰধৰ কৰিবলৈ উদ্যত হোৱাৰ অভিযোগে চাঞ্চল্যৰ সৃষ্টি কৰিছে। ফলত শিক্ষানুষ্ঠানখনত শৈক্ষিক পৰিৱেশ বিনষ্ট হ'ব বুলি ৰাইজে অভিযোগ আনিছে। যাৰ বাবে আজি গাঁও প্ৰধানৰ জৰিয়তে মীমাংসা কৰি দিবলৈ দিন ধাৰ্য কৰা হৈছিল। স্থানীয় ৰাইজ, গাঁও প্ৰধান আৰু বিদ্যালয়খনৰ শিক্ষকসকল গোট খায়। যদিও মীমাংসা সভাত অধ্যক্ষ মুক্তাৰ আলী খান বিভিন্ন অজুহাত দেখুৱাই উপস্থিত নাথাকিল। যাৰ বাবে ৰাইজে সভাৰ অন্তত অধ্যক্ষক বদলি কৰক, দুৰ্নীতিৰ সম্ৰাট মুক্তাৰ আলী খান গ'বেগ, অধ্যক্ষ মুক্তাৰ আলী হুছিয়াৰ, অধ্যক্ষ মুক্তাৰ আলীক শাস্তিমূলক বদলি কৰক আদি শ্ল'গানেৰে বিদ্যালয় চৌহদ উত্তাল কৰি তোলে। অধ্যক্ষগৰাকীয়ে পূৰ্বেও বিদ্যালয়খনৰ শিক্ষক সাবান আলীক মাৰপিট কৰাৰ লগতে আন কেইবাগৰাকী শিক্ষকক মাৰপিট কৰিবলৈ উদ্যত হোৱাৰ অভিযোগ আছে। শিক্ষকসকলে প্ৰতিবাদ কৰিলে অমাৰ্জিত ব্যবহাৰ কৰা বুলি কয় একাংশ শিক্ষকে।

# শিৱসাগৰত অইলৰ বিষয়াৰ ঘৰত আৰক্ষী

# অ'এনজিচিৰ গোপন তথ্য উগ্ৰপন্থী সংগঠনলৈ সৰবৰাহ

**ই-সংবাদ, শিৱসাগৰ, ১৫ অক্টোবৰঃ** শিৱসাগৰ নগৰত আজি অসম আৰক্ষীৰ চোৰাংচোৱা বিভাগৰ দ্বাৰা এক অতৰ্কিত অভিযান চলাই এজন দুজন আটক কৰে। অসম আৰক্ষীৰ চোৰাংচোৱা বিভাগৰ লগতে শিৱসাগৰ আৰু শিমলুগুৰি আৰক্ষীয়ে বাবুপট্টীৰ মৃদুল পথৰ তাহিৰুল হুছেইন নামৰ বিষয়া গৰাকীৰ লগতে একেটা পথতে থকা ইৰচাদ লটিফ নামৰ আন এজন যুৱকৰ বাসগৃহতো প্ৰায় ৬ ঘন্টা ধৰি ৰূদ্ধধাৰ অভিযান চলাই। অভিযান কালত ইৰচাদ লটিফ নামৰ যুৱক জনক কৰায়ত্ব কৰিবলৈ সক্ষম হৈ যদিও অ এন জি চিৰ বিষয়া তাহিৰুল হুছেইনে পৰিয়াল সহ সেই স্থানৰ পৰা কৌশলেৰে পলায়ন কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে ইৰচাদ লটিফক নিজৰ জিম্মাত লোৱাৰ লগতে ৫ খন বিলাসী বাইক আৰু এখন কে টি এম বাইক জব্দ কৰিবলৈ সক্ষম হৈছে। অভিযানৰত শীৰ্ষ আৰক্ষী বিষয়া আৰু দণ্ডাধীশে সংবাদ মাধ্যমৰ সন্মুখত সন্ধিয়া পৰ্য্যন্ত কোনো তথ্য ৰাজহুৱা কৰা নাই যদিও সংবাদ মাধ্যমৰ হাতত আহি পৰিছে কেতবোৰ বিস্ফোৰক তথ্য। প্ৰাপ্ত তথ্য অনুসৰি বিগত কিছুদিন ধৰি নিগমৰ বিষয়া তথা সম্প্ৰতি বাবুপট্টীত এটা বাসগৃহ ক্ৰয় কৰি স্থায়ী ভাৱে থাকিবলৈ লোৱা নাজিৰা ন-মাটি নিবাসী তাহিৰুল হুছেইনে সংগঠিত ৰূপত নিগমৰ অভ্যন্তৰিন কেতবোৰ গোপনীয় তথ্য নিষিদ্ধ ঘোষিত সংগঠনক যোগান ধৰি আহিছিল। অসম আৰক্ষীৰ চোৰাংচোৱা শাখাই বিগত প্ৰায় দুটা মাহ ধৰি তাহিৰ হুছেইন নামৰ নিগমৰ বিষয়া গৰাকীক বিভিন্ন মাধ্যমেৰে অনুসৰণ কৰি আছিল। জানিব পৰা মতে তাহিৰুল হুছেইনে বাবুপট্টীত নতুনকৈ ক্ৰয় কৰা বাসগৃহটোৰ কাষতে থকা ইৰচাদ লটিফ নামৰ যুৱক জনকো এই কাৰ্য্যত সহযোগী হিচাবে লৈছিল। কিন্তু অসম আৰক্ষীৰ চোৰাংচোৱা শাখাই গোপন অনুসন্ধান সমাপ্ত কৰি শিমলুগুৰি আৰক্ষী থানাত ২৪/২০২৪ নম্বৰৰ এটা গোচৰ পঞ্জীয়ন কৰি আনুষ্ঠানিক অভিযান আৰম্ভ কৰে। কালি নিশাৰে পৰা প্ৰাথমিক তৎপৰতা চলোৱা বিশাল আৰক্ষীৰ দলটোৱে আজি দুপৰীয়া বাৰ মান বজাত বাবুপট্টীৰ মৃদুল পথত এই অভিযান আৰম্ভ কৰে যদিও অত্যন্ত চতুৰ তথা আৰক্ষীৰ গতি বিধি লক্ষ্য কৰি থকা তাহিৰ হুছেইনে পলায়ন কৰিবলৈ সক্ষম হয়। অৱশ্যে আৰক্ষীয়ে কৌশলেৰে একেটা পথতে থকা ইৰচাদ লটিফ ওৰফে মিঠুক আটক কৰে। আটকাধীন ইৰচাদক পোনে পোনে জিলা আৰক্ষী অধীক্ষকৰ কাৰ্য্যালয়লৈ লৈ যোৱা হয়। ইয়াৰ পিছতেই পলায়ন কৰা নিগমৰ বিষয়া পলাতক তাহিৰ হুছেইনৰ তলাবন্ধ বাসগৃহত দণ্ডাধীশৰ উপস্থিতিত তলা ভাঙি আৰক্ষীৰ দল উপস্থিত হৈ প্ৰায় ৪ ঘন্টা জোৰা তালাচী অভিযান চলাই। অসম আৰক্ষীৰ গুৱাহাটীস্থিত মূখ্য কাৰ্য্যালয়ৰ পৰা নিয়ন্ত্ৰিত এই অভিযানকালত তাহিৰ হুছেইনৰ বাসগৃহৰ পৰা এটা লেপটপ, পেন ড্ৰাইভ, ৪ টা পুতলা বন্দুক জব্দ কৰি বাসগৃহটো চীল কৰি দিয়াৰ লগতে তাহিৰ হুছেইনে ব্যৱহাৰ কৰা তিনিখন বাহন চৌহদৰ পৰা জব্দ কৰে। ইয়াৰ পিছতেই অভিযানকাৰী দলটোৱে কাষতে থকা আটকাধীন ইৰচাদ লটিফ ওৰফে মিঠুৰ বাসগৃহত অভিযান আৰম্ভ কৰে। সাংবাদিকৰ প্ৰৱেশ নিষিদ্ধ কৰি চলোৱা অভিযানৰ সময়ত ইৰচাদ লটিফৰ বাসগৃহৰ পৰাও লেপটপ, ইলেকট্ৰনিকৰ্চ সামগ্ৰীৰ লগতে এখন গাঢ় সেউজীয়া ৰঙৰ ফৰ্ড ফি'গ গাড়ী, এখন নম্বৰ প্লেটবিহীন কে টি এম বাইক জব্দ কৰে। ইতিমধ্যে আৰক্ষীৰ দলটোৱে সেই স্থানত অভিযান চলাই থকাৰ সময়তেই আন এটা আৰক্ষীৰ দলে ঘটনাস্থলীৰ নাতিদূৰৈৰ দলমুখ চাৰিআলিৰ ধোবাপট্টীৰ পৰা এখন ইন'ভা গাড়ীসহ ফাৰুক আহমেদ নামৰ এগৰাকী মোবাইল ফোনৰ ব্যৱসায়ীক আটক কৰিবলৈ সক্ষম হয়। নগৰ উপ পৰিদৰ্শক দীপাংকৰ চুতীয়াৰ নেতৃত্বত চলোৱা অভিযানত আটক কৰা ফাৰুক আহমেদক গাড়ীসহ পোনে পোনে আৰক্ষী অধীক্ষকৰ কাৰ্যালয়লৈ লৈ যোৱা হয়। অভিযান সম্পৰ্কত শিৱসাগৰ আৰক্ষীৰ শীৰ্ষ বিষয়াৰ পৰা প্ৰতিক্ৰিয়া বিচৰা হৈছিল যদিও বিষয়া গৰাকীয়ে প্ৰতিক্ৰিয়া প্ৰদানৰ পৰা বিৰত থাকে। আৰক্ষীয়ে অভিযানকালত জব্দ কৰা বাহন কেইখনৰ নম্বৰ হৈছে ক্ৰমে এ এছ ০৪ আৰ ২৮৮৮, এ এছ ০৪ ৰাই ২০২১২ , এ এছ ০৬ ইউ ৩৪৭৪, এ এছ ০১ বি জেদ ৯৬৪১ আৰু এ এছ ০৪ এ জেদ ৫৩৮৮। ইপিনে নাম প্ৰকাশত অনিচ্ছুক আৰক্ষীৰ এক উচ্চস্তৰীয় সূত্ৰ অনুসৰি আটকাধীন তাহিৰুল হুচেইন আৰু ইৰছাদে আলফা স্বাধীনৰ শীৰ্ষ নেতাৰ সৈতে যোগাযোগ ৰক্ষা কৰি অ' এন জি চিৰ সন্দৰ্ভত তথ্য যোগান ধৰি আহিছিল। অনাগত সময়ত এই তদন্তই কোন দিশে গতি কৰিব, আৰক্ষীয়ে সাংবাদিকৰ আগত মুখ খুলিবনে সেয়া লক্ষণীয় হ'ব।

# বগীধলাত বন্যহস্তীৰ মৃতদেহ উদ্ধাৰ

**ই-সংবাদ, নুমলীগড়, ১৫ অক্টোবৰঃ** বনাঞ্চল ধ্বংসৰ মূলতে হাতী-মানুহৰ সংঘাত আৰম্ভ হয়। বন্যহস্তীৰ বাসস্থান অবাধ গতিত ধ্বংস কৰাত তীব্ৰ খাদ্য সংকটত ভূগি জনাঞ্চলত প্ৰৱেশ কৰে বন্যহস্তীৰ জাক। বহু সময়ত হাতীৰ আক্ৰমণত মানুহৰ মৃত্যু হয়। খাদ্যৰ অভাৱত বনৰীয়া হাতীৰ মৃত্যুৰ বাতৰি সঘনাই শুনিবলৈ পোৱা যায়। বন বিভাগৰ যি দায়িত্ব সেই দায়িত্ব পালনত বিফল হোৱাৰ ফলতো হাতী-মানুহৰ সংঘাত বৃদ্ধি পাইছে। নুমলীগড়ৰ মৰঙী মৌজাৰ বিভিন্ন প্ৰান্তত বন্যহস্তীৰ মুক্ত সাধাৰণ কথা। নিশাৰ লগতে দিনৰ পোহৰতো পথাৰ-বাৰীত বিচৰণ কৰে বন্যহস্তীয়ে। খাদ্যৰ সন্ধানত বনাঞ্চলৰ পৰা ওলাই আহি জনাঞ্চলত প্ৰৱেশ কৰা হাতীৰ জাকে ভাঙি তচ-নচ কৰে মানুহৰ ঘৰ-দুৱাৰ। তাৰ মাজতে মৰঙি মৌজাৰ বগীধলাত চাহ বাগিচাত বনৰীয়া হাতীৰ মৃতদেহ উদ্ধাৰৰ খবৰে চাঞ্চল্যৰ সৃষ্টি কৰিছে। প্ৰায় তিনি-চাৰিদিন পূৰ্বেই মৃত হাতীৰ উদ্ধাৰৰ বিষেয় অৱগত হৈছিল ৰাইজে। কিন্তু বহু পলমকৈ বন বিভাগৰ লোক ঘটনাস্থলীত উপস্থিত হয়। ঘটনাস্থলীত উপস্থিত হৈ বিভাগে হাতীটোৰ মৰণোত্তৰ পৰীক্ষাৰ ব্যৱস্থা কৰে।

# যুৱ-ছাত্ৰ পৰিষদৰ স্মাৰক পত্ৰত পোহৰলৈ মৰিগাঁৱৰ উন্নয়নৰ ছবি

**ই-সংবাদ, লাহৰীঘাট, ১৫ অক্টোবৰঃ** ১৯৮৯ চনৰ ১৪ অক্টোবৰ তাৰিখে মৰিগাঁৱক পূৰ্ণাঙ্গ জিলা হিচাপে অসম চৰকাৰে স্বীকৃতি প্ৰদান কৰিছিল। বৰ্তমানে জিলাখনে ৩৫টা বছৰ অতিক্ৰম কৰি ৩৬ তম্ বৰ্ষ গৰকিলে। বিগত বৰ্ষৰ দৰে এইবাৰো জিলা প্ৰশাসনৰ উদ্যোগত ১৪-১৫ অক্টোবৰত পৰা দুদিনীয়া কাৰ্যসূচীৰে মৰিগাঁও জিলা দিৱস ২০২৪ উদযাপন কৰে। অন্যতম জাতীয় সংগঠন অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ মৰিগাঁও জিলা সমিতিয়ে জিলাখনৰ মূল সমস্যাসমূহ আঙুলিয়াই ১৯ দফীয়া এখন দাবী চনদ প্ৰকাশ কৰি মুখ্যমন্ত্ৰীলৈ প্ৰেৰণ কৰে। সংগঠনটোৰ জিলা সভাপতি মিৰ্জা আৰিফ আলম আৰু সাধাৰণ সম্পাদক মাধূৰ্য্য ময়ুৰ বৰাৰ স্বাক্ষৰিত দাবী চনদত বান-গৰাখহনীয়া সমস্যাক আতি শীঘ্ৰে স্থায়ী সমাধান কৰি খহনীয়াগ্ৰস্ত লোকসকলক পুনৰ সংস্থাপনৰ ব্যৱস্থা গ্ৰহণ কৰাৰ দাবী জনায়। জগতগুৰু মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ স্মৃতি বিজড়িত মৰিগাঁও জিলাৰ মৈৰাবৰী পাতেকীবড়ি থান সংযোগী পথত মৰিগাঁও নগৰৰ মাজমজিয়াত এখন আদৰণি তোৰণ নিৰ্মান কৰাৰো দাবী জনায়। সত্ৰখনৰ পৌৰাণিক কীৰ্তিচিহ্নসমূহ সংৰক্ষণ কৰি আন্তঃগাঠনি উন্নিত কৰা, আধুনিক মৰিগাঁও নিৰ্মাতা প্ৰখ্যাত ৰাজনীতিক লোকপ্ৰাণ মতিৰাম বৰাৰ এটা পূৰ্ণাঙ্গ প্ৰতিমূৰ্তি মৰিগাঁও নগৰৰ মাজমজিয়াত স্থাপন কৰ, সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ জন্ম ইতিহাস জড়িত মৰিগাঁও জিলাৰ নগৰৰ মাজমজিয়াত এটা পূৰ্ণাঙ্গ মূৰ্তি নিৰ্মাণ কৰাৰ দাবী জনায়। শ্বহীদ তিলক-হেমৰাম-গুণাভিৰাম অসামৰিক চিকিৎসালয়ত প্ৰতিটো বিভাগৰ বিশেষজ্ঞ চিকিৎসকৰ নিযুক্তি, আইচিইউ কক্ষ শীঘ্ৰে মুকলি কৰি চিকিৎসালয় খনৰ আন্তঃগাঁঠনি উন্নিত কৰা, জিলা সদৰ স্থানত অসম চৰকাৰৰ পৰ্যটন বিভাগৰ দ্বাৰা পৰ্যটক নিবাস প্ৰশান্তি ল'জ স্থাপন কৰা, চৰকাৰে ঘোষণা কৰা ব্ৰহ্মপুত্ৰৰ ওপৰত মৰিগাঁও জিলাৰ ভুৰাগাঁও আৰু দৰং জিলাৰ মঙ্গলদৈ সংযোগী দলং শীঘ্ৰে নিৰ্মাণ কৰা, পৰিবহন নিগমৰ দ্বাৰা জিলা সদৰ স্থানৰ পৰা অসমৰ উজনি-নামনিলৈ যাতায়তৰ কাৰণে পৰ্যাপ্ত সংখ্যক দিবা-নৈশ বাছৰ ব্যৱস্থা কৰক বুলিও কয় জাতীয় সংগঠনটোৱে। নিগমৰ মৰিগাঁও কাৰ্যালয়ৰ আন্তঃগাঁঠনি উন্নিত কৰা, জাগীৰোড-মৰিগাঁও সংযোগী মূলপথৰ জাগীভকত গাঁৱৰ কপিলীৰ ওপৰৰ অৰ্ধনিৰ্মিত দলংখনৰ কাম শীঘ্ৰ সম্পূৰ্ণ কৰা, জিলাখনৰ বিদ্যালয়সমূহত খালী থকা পদসমূহ শীঘ্ৰে পূৰণ কৰা, জিলাখনৰ মাজমজিয়াত দুচকীয়া আৰু চাৰিচকীয়া বাহন ৰখাৰ হেতুকে সংৰক্ষিত এলেকা পাৰ্কিং ৰ ব্যৱস্থা কৰাৰ দাবী জনাইছে।

# জয়নগৰ মাদ্ৰাছাৰ সমিতি গঠনক লৈ প্ৰতিক্ৰিয়া, অভিযোগ নস্যাৎ পূৰ্বৰ সমিতিৰ

**ই-সংবাদ, মোৰাঝাৰ, ১৫ অক্টোবৰঃ** সংখ্যালঘু সমাজত স্কুলৰ সমিতি গঠন, সমবায় সমিতি গঠন আদিক লৈ লৈ প্ৰায়ে সংঘাত দেখা যায়। শিক্ষিত লোকসকলেও এনে সমিতিৰ বাবে সংঘাতত লিপ্ত হৈ নিজৰ স্বৰূপ উদঙাই দিয়ে। আনকি এনে সামন্য কথবোৰক মিডিয়াৰ সন্মুখলৈ আনিবলৈ কুণ্ঠবোধ নকৰে। সমাজক আগুৱাই নিবৰ বাবে সুস্থ কথা-বতৰাৰ চৰ্চা কৰাৰ পৰিৱৰ্তে তেনেই সাধাৰণ কথাবোৰক লৈ ৰৌজাল-বৌজাল কৰা দেখা যায়। তেনেই ঘটনা সংঘটিত হৈছে ইছলামিক শিক্ষা প্ৰতিষ্ঠান দাৰুল হাদিছ জয়নগৰ মাদ্ৰাছাত। পৰিচালনা সমিতি গঠনৰ পিছতেই বিতৰ্কৰ সৃষ্টি হৈছে। ৬ অক্টোবৰ এক প্ৰতিনিধিত্বমূলক সাধাৰণ সভাৰ জৰিয়তে অসম সংখ্যালঘু উন্নয়ন বৰ্ডৰ অধ্যক্ষ হাবিব মোহাম্মদ চৌধুৰীক সভাপতি হিচাপে লৈ ৫৩ জনীয়া পৰিচালনা সমিতি গঠন কৰা হয়। মাদ্ৰাছাৰ সংবিধান উলংঘা কৰি পৰিচালনা সমিতিৰ পদবীত একাংশ ব্যক্তিক নিৰ্বাচন কৰাৰ অভিযোগ আনিছে। মাদ্ৰাছাখনৰ শিক্ষক গোটে সংবাদমেলৰ জৰিয়তে পৰিচালনা সমিতিৰ পূৰ্বৰ সভাপতি ডঃ মছদ্দৰ আলী লস্কৰৰ আমোলত সহকাৰী সম্পাদক মৌলানা আতাউৰ ৰহমানে বিভিন্ন কামত বিত্তীয় খেলিমেলিৰ অভিযোগ তুলিছিল। শিক্ষক গোটৰ এনে অভিযোগৰ পিছতেই পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি ডঃ মছদ্দৰ আলী লস্কৰ আৰু সহকাৰী সম্পাদক মৌলানা আতাউৰ ৰহমানে সুকীয়া সুকীয়া প্ৰেছ বিবৃতি যোগে শিক্ষক গোটৰ অভিযোগ নস্যাৎ কৰে। সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা বিবৃতিত ডঃ মছদ্দৰ আলী লস্কৰে কয় যে চলিত বৰ্ষৰ ৩০ মাৰ্চত বলপূৰ্বক ভাৱে মাদ্ৰাছা দখল কৰা দলটোৱে হোজাই জিলা আয়ুক্তক দুৰ্নীতিৰ অভিযাগ দাখিল কৰিছিল। জিলা আয়ুক্তই ১৪ ছেপ্তেম্বৰত এক নিৰ্দেশ মৰ্মে তদন্ত সমিতি গঠন কৰি সকলো তথ্য পাতি চালি জাৰি চাই তদন্ত কৰে। তদন্তৰ প্ৰতিবেদন ৰাজহুৱা হলে দুৰ্নীতি হৈছে নে নাই সকলো ওলাই পৰিব বুলি প্ৰাক্তন সভাপতি জনে উল্লেখ কৰে। ছচাইটি ৰেজিষ্টেচন এক্ট অনুযায়ী পঞ্জীয়নকৃত এখন সমিতিৰ ম্যাদ বৃদ্ধি কৰিবলৈ বিভিন্ন ধৰণৰ নথি পত্ৰৰ প্ৰয়োজন। দুৰ্নীতি হলে অডিট ৰিপোৰ্ট, এক্টিভিটি ৰিপোৰ্টত ওলাই পৰিলে হে বুলি বিবৃতিত জানিবলৈ দিয়ে। মুহতমিমৰ ক্ষমতাৰ বাহিৰে মাদ্ৰাছাৰ যিকোনো কাম নিবিদাৰ জৰিয়তে নূন্যতম মূল্যৰ নিবিদাত গ্ৰহণ কৰা হয়। অভিযন্তাই নিবিদা পোৱা মিস্ত্ৰী বা ঠিকাদাৰৰ কামৰ যোগ্যতা আৰু অভিজ্ঞতা পৰীক্ষা কৰাৰ পাছত সম্পাদক বা মুহতমিমে চুক্তি কৰে। এনে মুহূৰ্তত মৌলানা আতাউৰ ৰহমানৰ নাম কিয় আহিল বুলি প্ৰশ্ন কৰে। প্ৰাক্তন সহকাৰী সম্পাদক মৌলানা আতাউৰ ৰহমানে আন বিবৃতিত অভিযোগ কৰি কয় যে মুফতী মোহাম্মদ আলী, মৌলানা তৈয়বুৰ ৰহমান, মৌলানা ছামচুল হক কাৰ্যকৰী সমিতিৰ সদস্য আছিল। সেই সময়ত সঁচাই দুৰ্নীতি হৈছিল সেই সময়ত তেওঁলোক কিয় নিমাত আছিল বুলি প্ৰশ্ন কৰে। উল্লেখ্য যে, অসম দাৰুল হাদিছ জয়নগৰ মাদ্ৰাছাৰ পৰিচালনা সমিতি গঠনৰ পিছত অভিযোগ প্ৰতিভিযোগে সংবাদ শিৰোনামা দখল কৰিছে। ঘটনাটোক লৈ সমগ্ৰ হোজাই জিলাত ব্যাপক প্ৰতিক্ৰিয়া সৃষ্টি হোৱাও দেখা গৈছে।

# মাজুলীত জুনুমাই, অজয়, বিজয়, আমিনৰ গেঙৰ সন্ত্ৰাস

**ই-সংবাদ, মাজুলী, ১৫ অক্টোবৰঃ** দীৰ্ঘদিনৰ পৰা মাজুলীত ছাগলী চোৰৰ অতপালি বৃদ্ধি পাইছে। মাজুলীৰ বিভিন্ন ঠাইৰ পৰা সঘনাই ছাগলী চুৰি হৈ আহিছে। ভুক্তভোগী পৰিয়ালে গাঁওৰক্ষী বাহিনীক ইতিমধ্যে চুৰি কাণ্ডৰ কথা অৱগত কৰি আহিছে। মাজুলী ছাগলী চোৰৰ গেঙৰ তথ্য পোহৰলৈ আহিছে। জুনুমাই দাস, অজয় দাস আৰু বিজয় শইকীয়া, আমিন আলিৰ গেঙৰ কথা পোহৰলৈ আহিছে। দীৰ্ঘদিন ধৰি এএছ-০১-এডি-৭৭১৩ আৰু এএছ-০৩-এইছ-৫০৬৪ নম্বৰৰ বিলাসী বাহনত ছাগলী চুৰি কৰি সন্ত্ৰাসৰ চলাই আহিছিল এই গেঙটোৱে। আজি দুখন বিলাসী বাহনত ছাগলী চুৰি কৰি নি থকাৰ সময়তে গৃহস্থই মাজুলী আৰক্ষী আৰু ফুলনি আৰক্ষীক খবৰ দিয়ে। আৰক্ষীয়ে ছাগলী গাড়ীত নি থকা অৱস্থাতে গ্ৰেপ্তাৰ কৰে চোৰ গেঙটোৰ দুই সদস্যক। দুই সদস্যক ধৰাৰ পাছতে ওৰহিৰ ওৰ ওলাই পৰে। বৰ্তমানেও পলাতক আমিন আলি আৰু আন এজন চোৰ। মাজুলী আৰক্ষীয়ে ৪০/২০২৪ নম্বৰত গোচৰ ৰুজু কৰি ভাৰতীয় ন্যায় সংহিতাৰ অধীনত ৩০৩(২)/১১৩(২) ধাৰাত গোচৰ ৰুজু কৰিছে। দীৰ্ঘদিনৰ পৰা মুখ্য মাজুলী আৰু সমীপৰ্বতী এলেকাত ছাগলী চোৰে সন্ত্ৰাস চলাই আহিছে বুলি জনাইছে স্থানীয় ৰাইজে।

# ধিং সমিতি গঠন

**ই-সংবাদ, বেবেজীয়া, ১৫ অক্টোবৰঃ** এআইইউডিএফৰ নগাঁও জিলা সমিতিৰ অন্তৰ্গত ধিং ব্লক সমিতি মঙলবাৰে গঠন কৰা হয়। দলটোৰ নগাঁও জিলা সমিতিৰ সভাপতি মতিউৰ ৰহমানৰ সভাপতিত্বত ধুপগুৰি কলনি বস্তি ওচমানগণি জুনিয়ৰ কলেজত এখন সাধাৰণ সভা অনুষ্ঠিত হয়। সভাত কেন্দ্ৰীয় সমিতিৰ সম্পাদক আব্দুল মতিনে সাংগঠনিক দিশৰ ওপৰত গুৰুত্বপূৰ্ণ ভাষণ দিয়াৰ লগতে আগন্তুক পঞ্চায়ত নিৰ্বাচৰ বাবে কৰ্মীসকলক সাজু হবলৈ আহ্বান জনায়। সভাত নগাঁও জিলা সমিতিৰ সাংগঠনিক সম্পাদক ছাদিকুল ইছলাম, সম্পাদক শ্বেখ নুৰুল্লাহকে আদিকে ধৰি ১৫খন পঞ্চায়তৰ সক্ৰিয় কৰ্মীসকল উপস্থিত থাকে।

# নগাঁৱত মহিলাৰ দ্বাৰা 'হৰিচন্দ্ৰ উপাখ্যান' প্ৰদৰ্শন

**ই-সংবাদ, বেবেজীয়া, ১৫ অক্টোবৰঃ** নগাঁও জিলাৰ বেবেজীয়াৰ এচকেবিএলত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ জন্মোৎসৱ বিগত বৰ্ষৰ দৰে এইবাৰো সন্মিলিত এচকেবিএল শ্ৰীমন্ত শংকৰদেৱ জন্মোৎসৱ উদযাপন সমিতিৰ উদ্যোগত উদযাপনৰ কৰা হয়। এচকেবিএল ৰংগমঞ্চত তিনিদিনীয়াকৈ আয়োজিত জন্মোৎসৱৰ অন্তিম দিনা নিশা চকলাঘাটৰ সাতভনী মহিলা সমাজৰ দ্বাৰা নাট্যকৰ্মী ৰঞ্জিত শইকীয়াৰ মুখ্য পৰিচালনা আৰু মুনিন্দ্ৰ দাসৰ সহঃ পৰিচালনাত পালা ভাওনা 'হৰিচন্দ্ৰ উপাখ্যান' প্ৰদৰ্শন কৰা হয়। কেৱল শিশু, কিশোৰী আৰু মহিলাৰ দ্বাৰা প্ৰদৰ্শিত পালা ভাওনা চাবলৈ বিভিন্ন প্ৰান্তৰ পৰা অহা লোকৰ সমাগমেৰে উৎসৱস্থলী উদুলি-মুদুলি হৈ পৰে। সুন্দৰ নৃত্য-গীতৰ সংমিশ্ৰণত প্ৰাণ পাই উঠা পালা ভাওনাই উপস্থিত দৰ্শকক আপ্লুত কৰিবলৈ সক্ষম হয়। ৰেখা শইকীয়া, অৰুণা হাজৰিকা, ভানু দেৱী, সীমা ভূঞা, মিতালী শইকীয়া, পূণ্যপ্ৰভা শইকীয়া, পাৰুল দেৱী, ভানু মুদৈ, বীনা শইকীয়া, মইনা শইকীয়া, নীলমাই শইকীয়া, পূবালী ভূঞা, কৃষ্টিকন্যা শইকীয়াকে ধৰি মহিলা শিল্পীৰ লগতে কনমানী ঝৰ্ণা শইকীয়া, গংগীতা শইকীয়া, পৰী মুদৈ, গাৰ্গী শইকীয়া, পংখী শইকীয়া আৰু মেঘনা ভূঞাৰ মনোগ্ৰাহী আৰু বলিষ্ঠ অভিনয়ে সকলোকে মন্ত্ৰমুগ্ধ কৰে। খোল-তাল-বাঁহীৰ মধুৰ শব্দৰ লগতে সুমধুৰ কাব্যিক বচনৰ মনোমোহা সুৰে বেছ উপভোগ্য কৰি তোলা পালা ভাওনাখনে শেষ মুহূৰ্তলৈকে পেণ্ডেলত আবদ্ধ কৰি ৰাখিলে সহস্ৰাধিক দৰ্শকক। পালা ভাওনাত মহিলাসকলে সাৱলীল অভিনয়ৰ জৰিয়তে সদা ঘৰুৱা কামত ব্যস্ত মহিলাসকলো যে এক শিল্পীমনৰ অধিকাৰী তাকেই পুনৰবাৰ প্ৰতিপন্ন কৰিলে বুলি মত ব্যক্ত কৰিছে অঞ্চলটোৰ ভাওনা আৰু অভিনয়প্ৰেমী ৰাইজে।

# চামগুৰিত কংগ্ৰেছৰ নিৰ্বাচনী প্ৰচাৰ সভাত বিজেপিক তীব্ৰ সমালোচনা সাংসদ ৰকিবুলৰ

**ই-সংবাদ, পুৰণিগুদাম, ১৫ অক্টোবৰ:** নগাঁও জিলাৰ চামগুৰি সমষ্টিৰ উপ নিৰ্বাচনৰ বাবে ৰাজনৈতিক দল সমুহে নিজৰ নিজৰ দলৰ সাংগঠনিক দিশ সৱল কৰিবলৈ তৎপৰতা আৰম্ভ কৰা পৰিলক্ষিত হৈছে । ভাৰতীয় জনতা পাৰ্টি আৰু কংগ্ৰেছ দলৰ ৰথী মহাৰথীৰ উপস্থিতিৰে চামগুৰি সমষ্টিৰ উপ নিৰ্বাচনৰ প্ৰচাৰ অভিযান আকৰ্ষণীয় হৈ উঠিছে । চামগুৰি উপ নিৰ্বাচনৰ সন্দৰ্ভত আজি কংগ্ৰেছ দলৰ নেতা কৰ্মী সকলে চামগুৰি সমষ্টিৰ অন্তৰ্গত শিঙিমাৰী অঞ্চলৰ পৰা এটা বৃহৎ গাড়ী আৰু বাইক ৰেলি বাহিৰ কৰি কুটায়নি অঞ্চলত ৰেলিটো সামৰণি মাৰি এখন মুকলি সভা অনুষ্ঠিত কৰে । বাজিয়াগাওঁ আৰু লাওঁখোৱা ব্লক কংগ্ৰেছৰ উদ্যোগত অনুষ্ঠিত হোৱা সভা খনত চামগুৰি সমষ্টিৰ প্ৰাক্তন বিধায়ক তথা ধুবুৰী লোকসভা সমষ্টিৰ সাংসদ ৰকিবুল হুছেইনে ভাষন প্ৰসংগত কয় যে নিৰ্বাচনৰ সময়ত খোজটো দিওঁতে সাৱধানে দিব লাগিব । নিৰ্বাচন বা ভোটতো দিয়া উৎসৱ নহয় । এই ভোটতো আমাৰ জীৱন আৰু ভৱিষ্যত ।আমাক ডকাইত আৰু চোৰৰ ভোট নালাগে। ডকাইত আৰু চোৰ কেইটাৰ ভোট সিফালে যাওঁক । আমাক সেই ভোট নালাগে । আমি ডকাইত আৰু চোৰ কেইটাক এটা এটাকৈ হিচাপ লোৱা হব আইনগত ভাবে । মুখ্যমন্ত্ৰীয়ে কৈছিল এন আৰ চিত মুছলমান মানুহে ভুল তথ্য দি এন আৰ চিত নাম সুমুৱাইছে বুলি। সেই কাৰণে ১৯৫১ চনৰ আধাৰত এন আৰ চি পুনৰ কৰা হব বুলি মুখ্যমন্ত্ৰী গৰাকীয়ে কৈ আছে । আজি আহোম চাহজনজাতি মটক আদি সম্প্ৰদায়ৰ লোক সকল বিজেপিৰ লগত নাই । মুখ্যমন্ত্ৰীয়ে কৈছিল ছাছা মিঞা ভোট নালাগে বুলি কিন্ত আজি ছাচা মিঞাৰ ভোট কিয় বিচাৰি আহিছে বুলি কটাক্ষ কৰি বিজেপি চৰকাৰক কঠোৰ ভাষাৰে সমালোচনা কৰে সাংসদ ৰকিবুল হুছেইনে । আজি অনুষ্ঠিত হোৱা সভা খনত ৰূপহীহাট সমষ্টিৰ বিধায়ক নুৰুল হুদা বটদ্ৰৱা সমষ্টিৰ বিধায়িকা শিৱামণি বৰাকে বহু কেইজন কংগ্ৰেছৰ নেতা কৰ্মী




# জনজাতিকৰণৰ দাবীত তিনিচুকীয়া সদৰত প্ৰধানমন্ত্ৰী মোদীৰ পুত্তলিকা দাহ

**ই-সংবাদ, ডুমডুমা, ১৫ অক্টোবৰঃ** জনজাতিকৰণৰ দাবীত সদৌ অসম চুতীয়া ছাত্ৰ সন্থাৰ তিনিচুকীয়া জিলা সমিতিয়ে বাণিজ্যিক চহৰ তিনিচুকীয়াৰ থানা চাৰিআলিত প্ৰধানমন্ত্ৰী, জনজাতি পৰিক্ৰমা মন্ত্ৰী আৰু অসমৰ মুখ্যমন্ত্ৰীৰ প্ৰতিকৃতি দাহ কাৰ্যসূচী ৰূপায়ণ কৰি প্ৰতিবাদ সাব্যস্ত কৰে। ভূমিপুত্ৰ চুতীয়া জনগোষ্ঠীৰ ৰাইজ বৰ্তমানৰ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ দিনতো পিছ পৰি থকা বুলি উল্লেখ কৰি সন্থাই জনগোষ্ঠীটোৰ সৰ্বাঙ্গীন উন্নয়নৰ বাবে দীৰ্ঘদিনে উত্থাপন কৰা সমস্যাক গুৰুত্ব নিদিয়াত এই কাৰ্যসূচী ৰূপায়ন কৰা বুলি কয়। আজিলৈকে কোনো এখন চৰকাৰে গুৰুত্ব প্ৰদান নকৰাত তীব্ৰ ক্ষোভ প্ৰকাশ কৰে সংগঠনটোৱে। চুতীয়া জনগোষ্ঠীক জনজাতিৰ মৰ্যাদা প্ৰদান, স্বায়ত্ত শাসন প্ৰদান কৰাৰ লগতে শদিয়া আৰু অৰুণাচলস্থিত চুতীয়া ৰাজশাসন কালৰ প্ৰাচীন ঐতিহাসিক কীৰ্তিচিহ্নসমূহ সংৰক্ষণ আৰু সৌন্দৰ্যবৰ্ধনৰ দাবীত সন্থাই জন্মলগ্নৰে পৰা দাবী জনাই আহিছে যদিও কোনো এখন চৰকাৰে দাবীসমূহ ৰূপায়ণৰ অলপো গুৰুত্ব প্ৰদান নকৰা বুলি অভিযোগ আনিছে তিনিচুকীয়া জিলা সমিতিৰ সভাপতি নয়নজ্যোতি বৰশইকীয়া আৰু সম্পাদক গংগাধৰ শইকীয়াই। চৰকাৰক তীব্ৰ ভাষাৰে সমালোচনা কৰাৰ লগতে চৰকাৰে চুতীয়া জনগোষ্ঠীক জনজাতিৰ মৰ্যাদা প্ৰদান নকৰিলে বৃহৎ ৰাজনৈতিক আন্দোলনৰ জৰিয়তে ৰাজ্যত শাসনাধিষ্ঠ বিজেপি চৰকাৰক ওফৰাই দিয়াৰো হুংকাৰ দিয়ে নেতাদ্বয়ে।

# যুৱ কংগ্ৰেছৰ নেতা অৰিন্দম বৰুৱাৰ মৃত্যু

**ই-সংবাদ, মৰিগাঁও, ১৫ অক্টোবৰঃ** মৰিগাঁও জিলা যুৱ কংগ্ৰেছৰ প্ৰাক্তন সভাপতি, মৰিগাঁও সমষ্টিৰ দীৰ্ঘকালৰ বিধায়ক প্ৰয়াত জোনজোনালী বৰুৱাৰ একমাত্ৰ পুত্ৰ অৰিন্দম বৰুৱা ওৰফে ৰাজামণিৰ নতুন দিল্লীৰ এখন ব্যক্তিগত চিকিৎসালয়ত অকাল বিয়োগ ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৩৯ বছৰ। দীৰ্ঘদিন ধৰি যকৃত ৰোগত আক্ৰান্ত হৈ চিকিৎসাধীন হৈ থকা সৰবৰহী তথা অতি অমায়িক যুৱক অৰিন্দমৰ মৃত্যুৰ বাতৰি সদৰি হোৱাৰ লগে লগে মৰিগাঁৱত এক শোকাকুল পৰিবেশ বিৰাজ কৰে। অৰিন্দমৰ পিতৃ অসম ফুটবল সন্থাৰ প্ৰাক্তন সম্পাদক, ৰাজ্যৰ এসময়ৰ বিশিষ্ট ক্ৰীড়া সংগঠক, ৰাজনীতিক কৰ্মপ্ৰাণ ক্ষীৰোদ বৰুৱাই ১৯৯৩ চনৰ ২৭ নৱেম্বৰত মৰিগাঁৱত আততায়ীৰ গুলীত মৃত্যুবৰণ কৰিছিল। তেওঁৰ মাতৃ মৰিগাঁও সমষ্টিৰ তিনিটাকৈ কাৰ্যকালৰ কংগ্ৰেছ দলৰ বিধায়ক জোনজোনালী বৰুৱাৰ এবছৰ পূৰ্বে মৃত্যু ঘটিছিল। অৰিন্দমে মৃত্যুৰ সময়ত পত্নী, দুই কণমানি সন্তান, আত্মীয় স্বজনৰ লগতে অলেখ গুণমুগ্ধক ইহসংসাৰত এৰি থৈ যায়।



# সুৰজিত গোবিন্দ বৰুৱাৰ মৃত্যুত মৰিগাঁও আজুৰ শোক প্ৰকাশ

**ই-সংবাদ, মৰিগাঁও, ১৫ অক্টোবৰঃ** অসমৰ অগ্ৰণী ইংৰাজী দৈনিক কাকত ‘দ্যা আছাম ট্ৰিবিউন’ৰ সঞ্চালক সুৰজিত গোবিন্দ বৰুৱাৰ মৃত্যুত সদৌ অসম সাংবাদিক সন্থা চমুকৈ আজুৰ মৰিগাঁও জিলা সমিতিয়ে গভীৰ শোক প্ৰকাশ কৰিছে। জিলা সমিতিৰ ভাৰপ্ৰাপ্ত সভাপতি মৃদু কলিতা আৰু সাধাৰণ সম্পাদক পাৰ্থ প্ৰতিম গৌতমে এক শোক বাৰ্তাত বৰুৱাৰ মৃত্যুত গভীৰ শোক ব্যক্ত কৰাৰ লগতে সংবাদ মাধ্যমৰ প্ৰতি আগবঢ়োৱা অৱদানৰ বাবে তেঁও চিৰ স্মৰণীয় হৈ ৰ'ব বুলি উল্লেখ কৰে। উল্লেখ্য যে, যোৱা ৫ অক্টোবৰত নেমকেয়াৰ হাস্পতালত ভৰ্তি কৰা হৈছিল বৰুৱাক। চিকিৎসালয়ত ভৰ্তি হৈ থকা অৱস্থাতে মঙলবাৰে পুৱা ১০:৫৫ বজাত শেষ নিশ্বাস ত্যাগ কৰে বৰুৱাই। মৃত্যুৰ সময়ত তেওঁ মাতৃ, দুগৰাকী কন্যা আৰু পত্নীক এৰি থৈ গৈছে। বৰুৱাই। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৭২ বছৰ।

# ৰূপাইত চোৰৰ উপদ্ৰৱ বৃদ্ধি

**ই-সংবাদ, ডুমডুমা, ১৫ অক্টোবৰঃ** চাহনগৰী ডুমডুমাৰ ৰূপাই চাইডিং অঞ্চলত চোৰৰ উপদ্ৰৱ বৃদ্ধি পোৱাত আতংকিত হৈছে ৰাইজ। উৎসৱৰ বতৰত চোৰৰ সন্ত্ৰাসত গৃহস্থই এঘ এৰি ওলাব নোৱাৰা হৈছে। চোৰে ঘৰত প্ৰৱেশ কৰি ধন-সোণ লৈ উধাও হয় তাৰ কোনো নিশ্চয়তা নাই। ঘৰত তলা লগাই ক'ৰবালৈ ওলাই গ'লেও চোৰে কোন ফালৰ পৰা সোমাই ধন আৰু সম্পত্তি তহিলং কৰে ক'ব নোৱাৰি। এইবাৰ ডুমডুমা আৰক্ষী থানাৰ অন্তৰ্গত ৰূপাই চাইডিংত চোৰে সংঘটিত কৰিলে চুৰি কাণ্ড। ব্যৱসায়সূত্ৰে ৰূপাই কাক ৰোʼডস্থিত ভাড়াঘৰত থকা ৰূপাই অঞ্চলৰ দিপু গগৈৰ ঘৰত চোৰে লুট-পাট চলায়। নিশা প্ৰায় ৯ বজাত ঘৰটোৰ কাষতেই এখন ষ্টেচনাৰী বিপনীৰ গৰাকী দিপু গগৈ আৰু পত্নী দোকানত থকাৰ সুযোগতে চোৰে প্ৰথমে ঘৰটোৰ দুৱাৰৰ তলা ভাঙে তাৰ পাছতে গডৰেজৰ তলা ভাঙি নগদ প্ৰায় ৫০ হেজাৰ টকা লৈ উধাও হয়। ঘটনাৰ সন্দৰ্ভত দীপু গগৈৰ পত্নী ৰঞ্জিতা সোণোৱাল গগৈয়ে জানিবলৈ দিয়া অনুসৰি চোৰে গডৰেজৰ তলা ভাঙি টকাখিনি লৈ যায় যদিও আন একোতেই চকু নিদিয়ে চুৰে। ঘটনা সংঘটিত হোৱাৰ পাছতে ডুমডুমা আৰক্ষীক খবৰ দিয়াত আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ চোৰৰ সন্ধানত অভিযান আৰম্ভ কৰে। ঘটনাৰ সন্দৰ্ভত গৃহস্থই কোনো ড্ৰাগছ আসক্তই দুষ্কাৰ্য সংঘটিত কৰিছে বুলি সন্দেহ ব্যক্ত কৰিছে।

# মৰিগাঁৱৰ দন্দুৱাত ভয়ংকৰ পথ দুৰ্ঘটনা, নিহত ১

**ই-সংবাদ, মৰিগাঁও, ১৫ অক্টোবৰঃ** মৰিগাঁও চহৰৰ সমীপৱৰ্তী দন্দুৱাত মৰিগাঁও-নগাঁও সংযোগী ৰাজ্যিক ঘাইপথত সংঘটিত এক ভয়ংকৰ পথ দুৰ্ঘটনাত এজন লোকৰ মৃত্যু ঘটে। মৰিগাঁও দিশৰ পৰা জালুগুটি দিশে গৈ থকা এএছ-০২-এন-৫০৯৪ নম্বৰৰ মটৰচাইকলখনক বিপৰীত দিশৰ পৰা আহি থকা এখন তীব্ৰবেগী ডাম্পাৰে প্ৰচণ্ড খুন্দা মৰাৰ ফলত মটৰচাইকল আৰোহীজন গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। স্থানীয় ৰাইজে বাইক আৰোহীজনক সংকটজনক অৱস্থাত ১০৮ এম্বুলেঞ্চৰ জড়িয়তে মৰিগাঁও অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে যদিও চিকিৎসকে ব্যক্তিজনক মৃত ঘোষণা কৰে। মৃত ব্যক্তিজন কলমৌবাৰীৰ চায়েদ আলী বুলি জানিব পৰা গৈছে।

# বিশাল শোভাযাত্ৰা, ডুমডুমাত গুৰুজনাৰ ৫৭৬ সংখ্যক জন্মোৎসৱ উদযাপন

**ই-সংবাদ, ডুমডুমা, ১৫ অক্টোবৰঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৬ সংখ্যক জন্মোৎসৱ তিনিদিনীয়া বিস্তৃত কাৰ্য্যসূচীৰে চাহনগৰী ডুমডুমাৰ আজাড ৰোডস্থিত ডুমডুমা নামঘৰ প্ৰাঙ্গণত উদযাপন কৰা হয়। ১৩ অক্টোবৰৰ পুৱা ৪ বজাত উষা কীৰ্তনেৰে কাৰ্যসূচীৰ আৰম্ভ হয়। পুৱা ৯:৩০ বজাত পতাকা উত্তোলন কৰে ডুমডুমা নামঘৰ সমিতিৰ সভাপতি মৃগেন শইকীয়াই। ১০:৩০ বজাত আই আৰু বাপু সকলৰ নাম-প্ৰসঙ্গ অনুষ্ঠিত হোৱাৰ পিছতে সন্ধিয়া ৬ বজাত নামঘৰ প্ৰাঙ্গণৰ লগতে ঘৰে-ঘৰে বন্তি প্ৰজ্বলন কৰা হয়। সন্ধিয়া ৭ বজাৰ পৰা বৰগীত প্ৰতিযোগিতা অনুষ্ঠিত হয়। ১৪ অক্টোবৰৰ দিনৰ ১১ বজাৰ পৰা মহিলাসকলৰ মাজত দিহা-নাম প্ৰতিযোগিতা অনুষ্ঠিত হয়। সন্ধিয়া ৭:৩০ বজাৰ পৰা সত্ৰীয়া নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত হয়। বৰগীত প্ৰতিযোগিতাৰ 'ক' শাখাত প্ৰথম স্থান লাভ কৰে প্ৰাপ্তি দাসে। দ্বিতীয় স্থান লাভ কৰে ৰুমা কাকতি বৰাই। গাৰ্গী হাজৰিকাই তৃতীয় স্থান লাভ কৰে। 'খ' শাখাত অৰ্চিতা কলিতাই প্ৰথম স্থান লাভ কৰিবলৈ সক্ষম হোৱাৰ বিপৰীতে বৈদিকা মৰাণ আৰু অনুশ্ৰী বৰাই ক্ৰমে দ্বিতীয়



আৰু তৃতীয় স্থান অধিকাৰ কৰে। দিহানাম প্ৰতিযোগিতাত লিড়ুৰ পাৰিজাত দিহা নামৰ দলে প্ৰথম স্থান লাভ কৰে। দ্বিতীয় স্থান লাভ কৰে ফিলবাৰী সঞ্জীৱনী দিহা নামৰ দলে। আনহাতে, ডুমডুমা বিষ্ণুপ্ৰিয়া চেমনীয়া দলে তৃতীয় স্থান লাভ কৰে। সত্ৰীয়া নৃত্যৰ 'ক' উচ্চ শাখাত ফ্লৱিন বৰুৱাই প্ৰথম স্থান অধিকাৰ কৰে। দিব্যজ্যোতি মৰাণে দ্বিতীয় আৰু হিমপৰ্ণা বৰাই তৃতীয় স্থান অধিকাৰ কৰে। 'খ' নিম্ন শাখাত বৈভৱী থাপাই প্ৰথম স্থান লাভ কৰিবলৈ সক্ষম হয়। দ্বিতীয় স্থান লাভ কৰে অনবেষা বৰুৱাই। তৃতীয় স্থান লাভ কৰে অশ্মিতা বৰুৱাই। আনহাতে, আজি পুৱা ৯:৩০ বজাত নাম প্ৰসঙ্গ আৰু প্ৰসাদ বিতৰণৰ পিছত দিনৰ ১১ বজাত ডুমডুমা নগৰৰ মাজেদি ভাগৱতসহ বিশাল শোভাযাত্ৰা অনুষ্ঠিত হয়। শোভাযাত্ৰাত ডুমডুমা সমষ্টিৰ বিধায়ক ৰূপেশ গোৱালায়ো অংশগ্ৰহণ কৰে। নিশা স্থানীয় শিল্পীৰ দ্বাৰা 'কুৰুসন্ধ্যা' ভাওনা প্ৰদৰ্শনৰ অন্তত তিনিদিনীয়া কাৰ্যসূচীৰ সামৰণি পৰে। উল্লেখ্য যে, জন্মোৎসৱৰ লগত সংগতি ৰাখি যোৱা ২৯ ছেপ্টেম্বৰত ডুমডুমা উচ্চতৰ মাধ্যমিক বালিকা বিদ্যালয়ৰ প্ৰাংগণত 'ক' আৰু 'খ' শাখাত কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হয়। কুইজ প্ৰতিযোগিতাৰ প্ৰশ্নসমূহ আছিল শঙ্কৰদেৱৰ সন্দৰ্ভত।

# শেষ পৃষ্ঠা

### পাটনাত ৰাষ্ট্ৰীয় দবা

## ব্ৰঞ্জৰ পদক লাভ গোলাঘাটৰ অনামিত্ৰাৰ

**ই-সংবাদ, খুমটাই, ১৫ অক্টোবৰঃ** ক্ৰীড়াৰ জৰিয়তে ৰাষ্ট্ৰীয় পৰ্যায়ত উজলি উঠিল গোলাঘাটৰ এগৰাকী কন্যা। ৰাষ্ট্ৰীয় পৰ্যায়ৰ দবা খেলত ব্ৰঞ্জৰ পদক লাভ কৰিলে গোলাঘাটৰ ৰঙাগড়া চাহ বাগিচাৰ অনামিত্ৰা গোৱালাই। বিহাৰৰ পাটনাত অনুষ্ঠিত ৰাষ্ট্ৰীয় দবা খেল প্ৰতিযোগিতাত ১৪ বছৰ অনুৰ্ধ ছোৱালী শাখাত ব্ৰঞ্জৰ পদক লাভ কৰি গৌৰৱ কঢ়িয়াই অনামিত্ৰাই। বনগাঁৱৰ শংকৰদেৱ শিশু বিদ্যা নিকেতনৰ ছাত্ৰী অনামিত্ৰাৰ সাফল্যত অঞ্চলবাসীৰ লগতে সমগ্ৰ গোলাঘাট জিলাবাসী গৌৰৱান্বিত হৈ পৰিছে। উল্লেখ্য যে, গ্ৰামাঞ্চলত প্ৰশিক্ষণৰ অভাৱত আজিও পিছ পৰি আছে দবা খেলৰ জনপ্ৰিয়তা। গ্ৰামাঞ্চলত দবা খেলৰ প্ৰসাৰৰ বাবে চৰকাৰ তথা ক্ৰীড়া বিভাগক পদক্ষেপ ল'বলৈ আহ্বান জনাইছে অনামিত্ৰাই। আগন্তুক দিনত অধিক প্ৰশিক্ষণ গ্ৰহণ কৰি আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত অংশগ্ৰহণ কৰাৰ আশা পুহি ৰাখিছে প্ৰতিভাৱান ছাত্ৰীগৰাকীয়ে।



## প্ৰথম টেষ্টক লৈ অনিশ্চয়তা

**বাংগালুৰু, ১৫ অক্টোবৰঃ** ভাৰত আৰু নিউজীলেণ্ডৰ মাজত অনুষ্ঠিত হ'বলগীয়া ৩ খন মেচৰ টেষ্ট শৃংখলাৰ প্ৰথমখন টেষ্ট কাইলৈৰ পৰা আৰম্ভ হ'ব। বাংগালুৰুৰ এম চিন্নাস্বামী ষ্টেডিয়ামত হ'বলগীয়া এই খেলখন এতিয়া বৰ্ষা বিঘ্নিত হৈ পৰাৰ সম্ভাৱনাই দেখা দিছে। আজি পুৱাৰে পৰা আৰম্ভ হোৱা প্ৰৱল বৰষুণে খেলপথাৰৰ চোৰা-চিতাৰ দায়িত্বত থকা সকলক বিপাঙত পেলাইছে । বৰষুণৰ ফলত টীম ইণ্ডিয়াৰ অনুশীলনো বাতিল কৰিব লগা হয়। বতৰ বিজ্ঞান বিভাগৰ সূত্ৰই জনোৱা আগলি বতৰা অনুযায়ী অহা ৫ দিন ধৰি বাংগালুৰুত ধাৰাসাৰ বৰষুণ হোৱাৰ সম্ভাৱনা আছে। এনে পৰিপ্ৰেক্ষিতত শৃংখলাটোৰ প্ৰথমখনৰ টেষ্টক লৈ এতিয়া দেখা দিছে অনিশ্চয়তাই।



ইংলেণ্ডক হৰুৱাই টি-২০ মহিলা বিশ্বকাপৰ ছেমি ফাইনেলত প্ৰৱেশৰ পিছত কেৰিবিয়ান বাহিনীৰ উল্লাস

### ইংলেণ্ডৰ বিৰুদ্ধে ৬ উইকেটত জয়ী, হাইলি-কিয়ানাৰ অৰ্ধশতক

## মহিলা টি-২০ বিশ্বকাপৰ ছেমি ফাইনেলত ৱেষ্ট ইণ্ডিজ

**ডুবাই, ১৫ অক্টোবৰঃ** মহিলা টি-২০ বিশ্বকাপৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিবলৈ সমৰ্থ হৈছে ৱেষ্ট ইণ্ডিজ। আজি অনুষ্ঠিত এখন গুৰুত্বপূৰ্ণ মেচত কেৰিবিয়ান দলটোৱে ইংলেণ্ডক ৬ উইকেটত পৰাস্ত কৰে। টছত জয়ী ফিল্ডিঙৰ সিদ্ধান্ত লৈ দলটোৱে সুন্দৰ বলিঙেৰে ইংলেণ্ডৰ বেটাৰসকলক নিয়ন্ত্ৰণত ৰাখিবলৈ সমৰ্থ হয়। ৱেষ্ট ইণ্ডিজৰ বলাৰৰ আক্ৰমণৰ ফলত কম সময়ৰ মূৰে মূৰে এটাৰ পিছত এটাকৈ উইকেট হেৰুৱাই ইংলেণ্ডে নিৰ্ধাৰিত ২০ অভাৰত ৭ উইকেটৰ বিনিময়ত মাত্ৰ ১৪১ ৰানহে সংগ্ৰহ কৰে। দলটো হৈ এন এছ ব্ৰাণ্টে ৫৭ ৰানৰ ইনিংছ খেলাৰ বিপৰীতে বাকীসকল একপ্ৰকাৰ বেটাৰ ব্যৰ্থ হয়। ৱেষ্ট ইণ্ডিজৰ হৈ এফি ফ্লিটছাৰে ৩টা আৰু হাইলি মেথিউজে ২টাকৈ উইকেট দখল কৰে। ইয়াৰ পিছত ১৪২ ৰানৰ বিজয় লক্ষ্য আগত লৈ ৱেষ্ট ইণ্ডিজ দলটোৱে অনায়সে সেয়া অতিক্ৰম কৰে। আত্মবিশ্বাসী হৈ পৰা দলটোৱে মাত্ৰ ৪টা উইকেট হেৰুৱাই ১২টা বল খেলিবলৈ বাকী থকা অৱস্থাতে বিজয় লক্ষ্যত উপনীত হয়। দলটোৰ দুগৰাকীকৈ বেটাৰে অৰ্ধশতকীয় ইনিংছ উপহাৰ দিয়ে। অধিনায়ক হাইলি মেথিউজে ৫২ আৰু অপেনাৰ কিয়ানা যোছেফে ৫২ ৰানৰ অনবদ্য বৰঙণি আগবঢ়ায়। ইংলেণ্ডৰ হৈ এন এছ ব্ৰাণ্ট, ছফি আৰু ছাৰা গ্লেনে এটাকৈ উইকেট লাভ কৰে। দলৰ জয়ত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়োৱা কিয়ানা যোছেফে লাভ কৰে প্লেয়াৰ অব দ্য মেচৰ সন্মান। এতিয়া দলটোৱে ছেমি ফাইনেলত অহা ১৮ আগষ্টত নিউজিলেণ্ডৰ মুখামুখি হ'ব। উল্লেখ্য যে প্ৰতিযোগিতাখনৰ পৰা ইতিমধ্যে খালী হাতে বিদায় লৈছে ভাৰতে।

## মৰিগাঁও জিলা দিৱসৰ দ্বিতীয় দিনা মহিলা প্ৰীতি ফুটবল

**ই-সংবাদ, মৰিগাঁও, ১৫ অক্টোবৰঃ** মৰিগাঁও জিলা প্ৰশাসনৰ উদ্যোগত আৰু জিলাবাসীৰ ব্যাপক সহযোগত সোমবাৰৰ পৰা দুদিনীয়া বিস্তৃত কাৰ্যসূচীৰে অনুষ্ঠিত মৰিগাঁও জিলা দিৱসৰ লগত সংগতি ৰাখি আজি অৰ্থনৈতিক বিকাশৰ ক্ষেত্ৰত মৰিগাঁও জিলাৰ সম্ভাৱনা শীৰ্ষক এখন যুৱ সমাৰোহ অনুষ্ঠিত কৰা হয়। মৰিগাঁও জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত অনুষ্ঠিত এই যুৱ সমাৰোহ খনত সভাপতিত্ব কৰে মৰিগাঁৱৰ জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই। জিলাখনৰ অৰ্থনৈতিক বিকাশ আৰু উন্নয়নৰ দিশত শিক্ষাৰ্থী তথা নৱ প্ৰজন্মক অনুপ্ৰাণিত আৰু নিয়োজিত কৰাৰ লক্ষ্যৰে অনুষ্ঠিত এই যুৱ সমাৰোহখনত মৰিগাঁৱৰ আৰক্ষী অধীক্ষক হেমন্ত কুমাৰ দাস, অতিৰিক্ত জিলা আয়ুক্ত ড' সংগীতা বৰঠাকুৰ, ভাৰতীয় প্ৰযুক্তি প্ৰতিষ্ঠানৰ সহকাৰী অধ্যাপক ড° দেবাংগ ৰাজ নেওগ, মায়ং মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক ড° উৎপল নাথ, বিশিষ্ট সমাজকৰ্মী মিলেশ্বৰ পাতৰ, বিদ্যালয় পৰিদৰ্শক অপূৰ্ব ঠাকুৰীয়াকে ধৰি বহুগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। বিয়লিৰ ভাগত জিলাখনৰ বৰঙাবাৰীৰ মতিৰাম বৰাৰ স্কুল খেলপথাৰত এখন মহিলাৰ প্ৰীতি ফুটবল খেল অনুষ্ঠিত কৰা হয়। ইফালে নিশাৰ ভাগলৈ মৰিগাঁও চহৰৰ ক্ষীৰোদ বৰুৱা ষ্টেডিয়ামত অনুষ্ঠিত অসমবাসীৰ হাৰ্ট থ্ৰব জনপ্ৰিয় কণ্ঠ শিল্পী জুবিন গাৰ্গৰ এক সংগীতানুষ্ঠানেৰে মৰিগাঁও জিলা দিৱসৰ সফল সামৰণি পেলোৱা হ'ব।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com,
যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)
সম্পাদকঃ বিজি গগৈ (অবৈতনিক)